# অন্বেষণ

সপ্তম বছৰ ■ ষষ্ঠ সংখ্যা ■ জানুৱাৰী, ২০২১



## ইষ্ট ইণ্ডিয়া কোম্পানী

## সোণামতী আইদেউৰ কথা



## কৃষি আইন

## 'অসমৰ সাপ' লেখাটোৰ লগত সম্পৰ্কিত ছবি



মচোৰা গোম সাপ



শালিকা ঠোঁটিয়া সাপ



শংকা সাপ

# অন্বেষণ

## সপ্তম বছৰ, ষষ্ঠ সংখ্যা, জানুৱাৰী ২০২১ চন

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com

## সূচীপত্ৰ

২ **কৃষি আইন—২০২০**
- ৰাণু বুজৰবৰুৱা

৪ **ভাৰতৰ ৰাষ্ট্ৰপতিসকল**
- হিমাদ্ৰী বৰা

৫ **দেশ-বিদেশৰ খবৰ**
- কুশল গোস্বামী

৭ **খবৰৰ লেছেৰি বোটলা**
- কুশল গোস্বামী

৮ **প্ৰমথেশ চন্দ্ৰ বৰুৱা**
- যুথিকা পাটোৱাৰী

৯ **পৃথিৱীক ঘেৰি থকা তৰপটো**
- মহানন্দ শৰ্মা

১১ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

১৭ **কুইজ**
- সীমান্ত কলিতা

১৮ **এজন ডাক্তৰৰ মৃত্যু**
- অভিজিত শৰ্মা বৰুৱা

২০ **সিন্ধু জল সন্ধি**
- প্ৰীতিলতা পাটগিৰি

২২ **মানসিক সামৰ্থ্য বিকাশ**
- ৰবীন্দ্ৰ বৰ্মন

২৩ **বজ্ৰপাতৰ দেশ—ভূটান**
- কল্যাণী পাটগিৰি

২৪ **দশকটোৰ ডায়েৰি, ২০১০-১৯**
- ডিম্পল তালুকদাৰ

২৬ **মোগলৰ বিৰুদ্ধাচৰণ কৰা দাসজন**
- জিতা গগৈ

২৭ **চুড’কু**

২৮ **ইষ্ট ইণ্ডিয়া কোম্পানী আৰু এগৰাকী ভাৰতীয় উদ্যোগী**
- অপৰ্ণা দেৱী

২৯ **As You Like it**
- Dr. Pritam Priya Goswami

৩০ **Did You Know**
- Jyotirekha Kalita

৩১ **সোণামতী আইদেউৰ কথা**
- অসীম কৃষ্ণ বৰুৱা

**সম্পাদক** : ডাঃ নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ড° লিপিমণি দত্ত, দীপক কোচ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী
**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : প্ৰকাশ দত্ত
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**মূল্য** : বিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰ দ্বাৰা মুদ্ৰিত।*

# কৃষি আইন—২০২০

■ ৰাণু বুজৰবৰুৱা

ভাৰতবৰ্ষ এখন কৃষিপ্ৰধান দেশ। দেশৰ প্ৰায় ৭০ শতাংশ লোক কৃষিৰ ওপৰত নিৰ্ভৰশীল। কিন্তু পৰিতাপৰ কথাটো হ'ল, স্বাধীনতাৰ ৭১ বছৰ পিছতো ভাৰতৰ কৃষকসকলৰ আৰ্থিক অৱস্থা প্ৰায় একেই আছে। কষ্ট আৰু উৎপাদন হিচাপে তেওঁলোকে উচিত মূল্য নাপায়। বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে কৃষকসকলক উৎপাদিত সামগ্ৰীসমূহৰ বিক্ৰীৰ ক্ষেত্ৰত স্বাধীনতা দিবলৈ তথা সেই সামগ্ৰীসমূহৰ উচিত মূল্য পোৱাৰ ব্যৱস্থা কৰাৰ উদ্দেশ্যে তিনিখন নতুন কৃষি আইন প্ৰণয়ন কৰিছে। সেই তিনিখন আইন হ'ল—১। **কৃষি উৎপাদন সামগ্ৰীৰ ব্যৱসায় আৰু বাণিজ্য (সংবৰ্ধন আৰু সুবিধা) আইন ২০২০** [The Farmer's Produce Trade and Commerce (Promotion and Facilitation) Act, 2020] ২। **কৃষক (সবলীকৰণ আৰু সুৰক্ষা) মূল্য নিশ্চিতকৰণ চুক্তি আৰু কৃষি সেৱা আইন ২০২০** [The Farmer's (Empowerment and Protection) Agreement on Price Assurance and Farm Services Act, 2020] ৩। **অত্যাৱশ্যকীয় সামগ্ৰী (সংশোধনী) আইন ২০২০** [The Essential Commodities (Amendment) Act, 1955]

প্ৰথমখন আইনত উল্লেখ থকা কেইটামান উল্লেখযোগ্য বিষয় হ'ল—১। এই আইনৰ অধীনত আন্তঃৰাজ্যিক ব্যৱসায়ৰ ক্ষেত্ৰত খেতিয়ক, ব্যৱসায়ী, বৈদ্যুতিন মাধ্যমৰে কৰা ব্যৱসায় আৰু লেনদেনৰ ক্ষেত্ৰত সম্পূৰ্ণ স্বাধীনতা দিয়া হৈছে। অৰ্থাৎ তেওঁলোক ৰাজ্য চৰকাৰসমূহে নিৰ্ধাৰণ কৰি দিয়া ঠাইসমূহত লেনদেন কৰিবলৈ বাধ্য নহয়। ৩। ৰাজ্যৰ এ.পি.এম.চি. (Agricultural Produce Market Committee) আইন মতে দিবলগীয়া বজাৰ মাচুল, ছেছ বা কৰ আদিৰ ক্ষেত্ৰত কৃষকসকলক ৰেহাই দিয়া হৈছে। ৩। কৃষক আৰু ব্যৱসায়ীৰ মাজত হোৱা বিবাদ নিষ্পত্তিৰ বাবে মহকুমা দণ্ডাধীশৰ (Sub-Divisional Magistrate) ওচৰত আৱেদন কৰিব লাগিব। মহকুমা দণ্ডাধীশে বিষয়টো বিবাদ নিষ্পত্তিকৰণ সমিতিলৈ (Concillation Board) পঠিয়াই দিব। এনে সমিতি দণ্ডাধীশে গঠন কৰি দিব। সমিতিয়ে তেনে বিবাদ ৩০ দিনৰ ভিতৰত নিষ্পত্তি কৰিব নোৱাৰিলে বিষয়টো মহকুমা দণ্ডাধীশৰ ওচৰলৈ নিব পাৰিব। তেওঁ ৩০ দিনৰ ভিতৰত ৰায়দান দিব লাগিব আৰু তেনে ৰায়দানৰ বিৰুদ্ধে বিবাদত জড়িত পক্ষই আপিল আদালতত পুনৰাৱেদন কৰিব পাৰিব। ৪। যদিহে কোনো ব্যৱসায়ীয়ে এই আইনৰ অধীনত কৃষক বা আন ব্যৱসায়ীৰ লগত কৃষি উৎপাদিত সামগ্ৰীৰ ক্ষেত্ৰত হোৱা চুক্তি উলংঘা কৰে, তেন্তে তেনে ব্যৱসায়ীয়ে ন্যূনতম ২৫ হাজাৰ টকাৰ জৰিমনা ভৰিব লাগিব, যাৰ পৰিমাণ ৫ লাখ টকা পৰ্য্যন্ত হ'ব পাৰে। তদুপৰি যদিহে তেনে নিয়ম উলংঘন নিয়মিত হৈ থাকে তেনে ক্ষেত্ৰত উলংঘনৰ প্ৰথম দিনটোৰ পিছৰ পৰা প্ৰতিদিনে ৫ হাজাৰ টকা জৰিমনা ভৰিব লাগিব।

ঠিক তেনেদৰে বৈদ্যুতিন মাধ্যমৰে ব্যৱসায় কৰা আৰু লেনদেন কৰা ব্যক্তিয়ে বা সংস্থাই চুক্তি উলংঘন কৰিলে তেওঁলোকে ন্যূনতম ৫০ হাজাৰৰ পৰা ১০ লাখ টকা জৰিমনা ভৰিব লাগিব। আকৌ নিয়মিত উলংঘনৰ বাবে প্ৰতিদিনে ১০ হাজাৰকৈ জৰিমনা ভৰিব লাগিব।

দ্বিতীয় আইনখনৰ মূল বিষয়কেইটামান হ'ল—

১। খেতিয়কে কৃষি উৎপাদিত সামগ্ৰীৰ মূল্য, যোগান ব্যৱস্থা, যোগানৰ সময়, সামগ্ৰীৰ গুণাগুণ, পাম সেৱা বা কৃষি সেৱা আদি বিষয় লৈ কৃষি পৃষ্ঠপোষক (Sponsor) বা কৃষি সেৱা প্ৰদান কৰোঁতাৰ লগত লিখিত চুক্তি সম্পাদন কৰিব। এই চুক্তিৰ ন্যূনতম সময় হ'ল খেতিৰ এটা ঋতু বা শস্যবিধৰ এটা জীৱনকাল বা চক্ৰ আৰু সৰ্বাধিক ৫ বছৰ। যদি কোনো কৃষি কাৰ্য্যত ইয়াতকৈ বেছি সময়ৰ প্ৰয়োজন তেনে ক্ষেত্ৰত




খেতিয়ক আৰু পৃষ্ঠপোষক দুয়োপক্ষ মিলি চুক্তিৰ সময় নিৰ্ধাৰণ কৰিব। ২। যিকোনো কৃষি উৎপাদনৰ মূল্য নিৰ্ধাৰণৰ ক্ষেত্ৰত দুয়োপক্ষই চুক্তিৰ জৰিয়তে মূল্য নিৰ্ধাৰণ কৰিব পাৰিব। সেই মূল্যৰ ওপৰত অতিৰিক্ত মূল্য দিব বিচাৰিলে সেয়া চুক্তিত উল্লেখ থাকিব লাগিব। ৩। কৃষিৰ উৎপাদিত সামগ্ৰীসমূহ পৃষ্ঠপোষকে (sponsore) নিৰ্ধাৰিত সময়ৰ ভিতৰত সংগ্ৰহ কৰিব লাগিব আৰু যাৱতীয় সকলো ব্যৱস্থা তেওঁ কৰিব লাগিব। উৎপাদিত সামগ্ৰী গ্ৰহণ কৰাৰ আগতে তাৰ গুণগত মানদণ্ড চুক্তি অনুসৰি ঠিকে আছেনে নাই চাব লাগিব। ৪। পৃষ্ঠপোষকে খেতিয়কৰ খেতিপথাৰৰ হস্তান্তৰ, বিক্ৰী, লিজ তথা বন্ধকত লোৱা আদি বিষয়ক লৈ কোনো চুক্তি কৰিব নোৱাৰিব। তদুপৰি সেই মাটিত কোনো ধৰণৰ গাঁথনি বা উন্নয়নৰ ব্যৱস্থা ল'ব নোৱাৰিব আৰু কৰিলেও সেইবোৰ চুক্তিৰ সময় ওকলাৰ আগতে আগৰ অৱস্থালৈ আনিব লাগিব নহ'লে তেনে গাঁথনিৰ গৰাকী কৃষকজন হ'ব। ৫। প্ৰত্যেক কৃষি চুক্তিত বিবাদ নিষ্পত্তিৰ প্ৰক্ৰিয়া আৰু বিবাদ নিষ্পত্তিকৰণ সমিতি (Concillation Board) গঠনৰ কথাটো স্পষ্টভাৱে উল্লেখ কৰিব লাগিব। সমিতিত দুয়োপক্ষৰ প্ৰতিনিধি থাকিব। যিকোনো বিবাদ প্ৰথমে এই সমিতিৰ ওচৰত উত্থাপন কৰিব লাগিব, যদিহে তাত নিষ্পত্তি নহয় বা চুক্তিত তেনে সমিতি গঠনৰ কথা উল্লেখ নাথাকে তেনে বিবাদৰ সমাধান বিচাৰি মহকুমা ন্যায়াধীশৰ (Sub-divisional Magistrate) ওচৰত আৱেদন কৰিব পাৰিব। মহকুমা ন্যায়াধীশে ৩০ দিনৰ ভিতৰত বিবাদৰ ওপৰত ৰায়দান দিব।

মহকুমা ন্যায়াধীশে দিয়া ৰায়দানৰ বিৰুদ্ধে আপিল কৰ্তৃপক্ষৰ (Appellate Authority) ওচৰত পুনৰালোচনা কৰিব পাৰিব। তেনে আৱেদনৰ ওপৰত সমাহৰ্তা (Collector) বা অতিৰিক্ত সমাহৰ্তাই (Additional Collector) ৩০ দিনৰ ভিতৰত সিদ্ধান্ত জনাব। ৬। যদিহে পৃষ্ঠপোষক গৰাকীয়ে নিৰ্ধাৰিত সময়ত কৃষকগৰাকীক ধন মোকলাই দিব নোৱাৰে তেন্তে তেওঁ নিৰ্ধাৰিত ধনৰ ডেৰগুণ অতিৰিক্ত ধন কৃষকগৰাকীক দিব লাগিব। আনহাতে কৃষকগৰাকীয়ে আগতীয়াকৈ লোৱা ধন পৃষ্ঠপোষকগৰাকীক সময়মতে ঘূৰাই দিব নোৱাৰিলে তেওঁ শাস্তি হিচাপে অতিৰিক্ত ধন দিব নালাগে।


আকৌ তৃতীয়খন বিধেয়ক অৰ্থাৎ অত্যাৱশ্যকীয় সামগ্ৰী (পণ্য) সংশোধনী বিধেয়ক মতে কিছুমান সামগ্ৰী যেনে—চাউল, দাইল, আলু, পিয়াঁজ, খোৱা তেল আদিৰ মজুতকৰণ কেৱল প্ৰাকৃতিক দুৰ্যোগ, যুদ্ধ, অত্যধিক মূল্য বৃদ্ধি আদিৰ সময়তহে কৰিব পাৰিব। লগতে মূল্যবৃদ্ধিৰ ওপৰত নিৰ্ভৰ কৰি মজুতকৰণ প্ৰক্ৰিয়াটো নিয়ন্ত্ৰিত হ'ব।

তিনিওখন কৃষি আইনৰ মূল উদ্দেশ্য হ'ল কৃষকসকলৰ সৰ্বাংগীন উন্নতি। এই আইন অনুসৰি পুৰণি মণ্ডি বা বজাৰ ব্যৱস্থা অটুট থাকিব যদিও কৃষকসকল তেনে মণ্ডিত তেওঁৰ উৎপাদিত সামগ্ৰী বিক্ৰী কৰিবলৈ বাধ্য নহয়।

চৰকাৰে কৃষকসকলক তেওঁলোকৰ প্ৰাপ্য আদায় দিয়াৰ উদ্দেশ্যে আইনকেইখন প্ৰণয়ন কৰিছে যদিও আইনকেইখনৰ বিৰুদ্ধে যোৱা নৱেম্বৰ মাহৰ ২৬ তাৰিখৰ পৰা দেশৰ ভালেসংখ্যক কৃষকে প্ৰতিবাদ কৰি আহিছে। তেওঁলোকে বজাৰ ব্যৱস্থা, মূল্য নিৰ্ধাৰণ ব্যৱস্থা, কৃষিৰ ব্যক্তিগতকৰণ আদি বিষয়ক লৈ শংকা প্ৰকাশ কৰিছে। কৃষকসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাব বুলি ভয় কৰি আইনকেইখন বাতিল কৰিবলৈ দাবী জনাইছে। আনহাতে আন কিছুসংখ্যক কৃষকে আইনকেইখন প্ৰযোজ্য হোৱাটো বিচাৰিছে। এই প্ৰতিবাদে দেশৰ যথেষ্ট আৰ্থিক ক্ষতি কৰিছে। সেয়েহে এই সমস্যাটো সোনকালে সমাধান হোৱাটো দেশৰ বাবে মংগলজনক হ'ব। ❖

# ড° এ. পি. জে. আব্দুল কালাম

■ হিমাদ্ৰী বৰা



"তৰুণসকলে যদিহে ভাৰতৰ গীত গাবলৈ আন্তৰিকতাৰে আগ বাঢ়ি আহে, তেনেহ'লে ভাৰত নিশ্চিতভাৱে এখন উন্নত ৰাষ্ট্ৰ হৈ উঠিব—য'ত নাথাকিব দৰিদ্ৰতা, নিৰক্ষৰতা আৰু নিবনুৱা সমস্যা; সেয়া হ'ব অৰ্থনৈতিক উৎকৰ্ষ, ৰাষ্ট্ৰীয় নিৰাপত্তা আৰু আভ্যন্তৰীণ ঐক্যৰ সোপান।"

এয়া ৰাষ্ট্ৰপতিৰূপে শপত গ্ৰহণ কৰি ড° কালামে নৱ প্ৰজন্মক উদ্দেশ্যি কোৱা এযাৰি বাক্য।

২০০২ চনৰ ২৫ জুলাই তাৰিখে ভাৰতৰ একাদশগৰাকী ৰাষ্ট্ৰপতিৰূপে কাৰ্য্যভাৰ গ্ৰহণ কৰে ড° কালামে। তেওঁৰ সম্পূৰ্ণ নাম হ'ল আভুল পাকিৰ জয়নুলাব্দিন আব্দুল কালাম (Avul Pakir Jainulabdeen Abdul Kalam)।

১৯৩১ চনৰ ১৫ অক্ট'বৰ তাৰিখে তামিলনাডুৰ ৰামেশ্বৰম নামৰ ঠাইখনৰ ধনুষকোডি গাঁৱত ড° কালামৰ জন্ম হয়। তেওঁ শৈশৱৰ সময়ছোৱা নানা দুখ-কষ্ট আৰু অভাৱ-অনাটনৰ মাজেৰে অতিবাহিত কৰিবলগীয়া হৈছিল।

কালামে স্কুলীয়া শিক্ষা গ্ৰহণ কৰে ৰামেশ্বৰমৰ ছামিয়া বিদ্যালয় আৰু ৰামনাথপুৰম চহৰৰ শ্বাৰ্টজ স্কুলত। তেওঁ টিৰুচিৰাপল্লীৰ ছেইণ্ট জোচেফ কলেজৰ পৰা স্নাতক উপাধি লাভ কৰাৰ পিছত ১৯৫৪ চনত 'মাদ্ৰাজ ইনষ্টিটিউট অব টেক্‌ন'লজি'ত ভৰ্তি হয়। এই ইনষ্টিটিউটৰ পৰাই তেওঁ বৈমানিক অভিযন্তাৰ (এৰ'স্পেছ ইঞ্জিনীয়াৰ) ডিগ্ৰী লাভ কৰে। ১৯৫৮ চনত ড° কালাম প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ 'ডিৰেক্টৰেট অব টেক্নিকেল ডেভেলপমেণ্ট এণ্ড প্ৰডাকচন' (Directorate of Technical Development and Production) বিভাগত জ্যেষ্ঠ সহযোগী বিজ্ঞানীৰূপে নিযুক্ত হয়। পৰৱৰ্তী সময়ত কালামে ISRO (Indian Space Research Organisation), DRDO (Defence Research and Development Organisation) আদি বিভাগৰ সৈতে জড়িত হৈ পৰে। এগৰাকী সুদক্ষ বিজ্ঞানী হিচাপে কালামে ভাৰতীয় মিছাইল পদ্ধতিক উন্নীত কৰাত যথেষ্ট অৰিহণা আগ বঢ়াইছিল। সেয়েহে তেওঁক বহুতো লোকে 'Missile Man of India' বুলিও কয়।

ইয়াৰ উপৰি কালামে ভাৰত চৰকাৰৰ মুখ্য বৈজ্ঞানিক উপদেষ্টাকে আদি কৰি বিভিন্ন গুৰুত্বপূৰ্ণ পদবীত কাৰ্য্যনিৰ্বাহ কৰিছিল। ড° কালামে আগ বঢ়োৱা সেৱাৰ স্বীকৃতি স্বৰূপে ভাৰত চৰকাৰে তেওঁক ১৯৮১ চনত পদ্মভূষণ আৰু ১৯৯০ চনত পদ্মবিভূষণ উপাধি প্ৰদান কৰে। ভাৰতৰ প্ৰতিৰক্ষা প্ৰযুক্তিৰ বিজ্ঞানসন্মত গৱেষণা আৰু আধুনিকীকৰণৰ ক্ষেত্ৰত তেওঁৰ মহত্বপূৰ্ণ অৱদানৰ বাবে ১৯৯৭ চনত ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান 'ভাৰত ৰত্ন' উপাধিৰে তেওঁক সন্মানিত কৰা হয়।

ড° কালামে সাহিত্যৰ ক্ষেত্ৰখনলৈও বিশেষ অৰিহণা আগ বঢ়াই থৈ গৈছে। কালামৰ কেইখনমান গ্ৰন্থ হ'ল— India 2020 : A Vision for the New Millennium, Wings of Fire, Ignited Minds : Unleashing the Power within India, Mission India, Inspiring Thoughts, Indomitable Spirit ইত্যাদি।

২০০৭ চনৰ ২৫ জুলাইলৈকে ৰাষ্ট্ৰপতিৰ পদ অলংকৃত কৰা কালামে ২০১৫ চনৰ ২৭ জুলাই তাৰিখে শ্বিলঙৰ ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠানত বক্তৃতা প্ৰদান কৰা অৱস্থাত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যুক আঁকোৱালি লয়। ❖

## প্ৰধানমন্ত্ৰী মোডীলৈ ‘লিজিয়ন অব মেৰিট’ সন্মান



যোৱা ২২ ডিচেম্বৰত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক আমেৰিকা যুক্তৰাষ্ট্ৰৰ অতি মৰ্য্যাদাপূৰ্ণ ‘লিজিয়ন অব মেৰিট’ সন্মান আগ বঢ়োৱা হয়। অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী স্কট মৰিচন আৰু জাপানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ছিনজু আবেৰ লগতে ভাৰতৰ প্ৰধানমন্ত্ৰী মোডীক এই বঁটাৰ বাবে নিৰ্বাচন কৰা হৈছে। বিশ্বশক্তিৰূপে ভাৰতক আগ বঢ়াই নিয়া আৰু ৰণকৌশলগত অংশীদাৰ হিচাপে আমেৰিকা যুক্তৰাষ্ট্ৰৰ লগত সম্পৰ্কৰ উত্তৰণ ঘটোৱা বাবেই আমেৰিকা যুক্তৰাষ্ট্ৰই ভাৰতৰ প্ৰধানমন্ত্ৰীক এই সন্মানৰ বাবে নিৰ্বাচন কৰে। যোৱা বৰ্ষত আমেৰিকা যুক্তৰাষ্ট্ৰই এই সন্মান দিছিল কুৱেইটৰ প্ৰয়াত ৰাষ্ট্ৰপ্ৰধান শ্বেইখ ছাবা অল আহমেদ ছাবাক। এই বৰ্ষত মুখ্যতঃ আমেৰিকা যুক্তৰাজ্যৰ সামৰিক সহযোগী হোৱা বাবেই তিনিখন ৰাষ্ট্ৰৰ প্ৰধানমন্ত্ৰীক এই সন্মান প্ৰদান কৰা হয়। এয়া হৈছে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৰ্বশ্ৰেষ্ঠ সামৰিক বঁটা।

## ‘লাইফ ইন এ পাপেট’লৈ শ্ৰেষ্ঠ চলচ্চিত্ৰ বঁটা




প’ৰ্টব্লেয়াৰত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত ৰাজেন দাস পৰিচালিত ‘লাইফ ইন এ পাপেট’ নামৰ চলচ্চিত্ৰখনে শ্ৰেষ্ঠ চলচ্চিত্ৰৰ বঁটা লাভ কৰিবলৈ সক্ষম হয়। যোৱা ১২ ডিচেম্বৰৰ পৰা ১৮ ডিচেম্বৰলৈ অনুষ্ঠিত প’ৰ্টব্লেয়াৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত এই চলচ্চিত্ৰখনে মুঠ ৪টা বঁটা লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনে। একেই শাখাত যুটীয়াভাৱে (বিদেশী ভাষাত) শ্ৰেষ্ঠ চলচ্চিত্ৰৰ সন্মান লাভ কৰিছে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ‘অন ডা ডে দ্যাট আই ডাইড’ নামৰ চলচ্চিত্ৰখনে। অসমীয়া চলচ্চিত্ৰ ‘লাইফ ইন এ পাপেট’ৰ পৰিচালক ৰাজেন দাসে শ্ৰেষ্ঠ পৰিচালক আৰু শ্ৰেষ্ঠ প্ৰযোজকৰ বঁটাও লাভ কৰিবলৈ সমৰ্থ হৈছে। তদুপৰি লাইফ ইন এ পাপেটে এই মহোৎসৱত ভাৰতীয় চলচ্চিত্ৰ শাখাতো শ্ৰেষ্ঠ ছবিৰ সন্মান লাভ কৰিছে। অসমৰ বিলুপ্তপ্ৰায় পুতলা নাচ হৈছে ছবিখনৰ মূল উপজীব্য। উল্লেখযোগ্য যে ছবিখনৰ অধিক সংখ্যক চৰিত্ৰত কোনোদিনে কেমেৰাৰ সন্মুখত অভিনয় নকৰা বহু শিল্পীয়ে অতি মনপৰশা অভিনয় কৰিছে। মুখ্য চৰিত্ৰত অভিনয় কৰিছে ক্ৰমে আশা বৰদলৈ, দীপান্বিতা দাস, প্ৰকাশ ঠাকুৰীয়া আৰু অসম পাপেট থিয়েটাৰৰ প্ৰযোজক নাৰায়ণ ডেকাই। ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত শিল্পী তৰালি শৰ্মাই সংগীত পৰিচালনা কৰা চলচ্চিত্ৰখনে ইতিমধ্যে অন্যান্য বঁটাৰেও সন্মানিত হৈছে। উল্লেখযোগ্য বিশ্বৰ ৫০ খন দেশৰ চলচ্চিত্ৰই এই মহোৎসৱত অংশগ্ৰহণ কৰিছিল।

## বড়ো স্বায়ত্তশাসিত জিলা পৰিষদ (বি টি এ ডি)ৰ নিৰ্বাচন



যোৱা ৭ আৰু ১০ ডিচেম্বৰত অনুষ্ঠিত বড়ো স্বায়ত্তশাসিত জিলা পৰিষদৰ নিৰ্বাচনৰ ফলাফল ১২ ডিচেম্বৰত ঘোষণা কৰা হয়। ঘোষিত ফলাফল অনুসৰি শাসনাধিষ্ঠি বি পি এফ দলটোৱে ১৭ খন আসন আৰু ইউ পি পি এল দলে ১২ খন আৰু বি জে পি দলে ৯ খন আসন দখল কৰে। আনহাতে জাতীয় কংগ্ৰেছ আৰু গণ সুৰক্ষা পাৰ্টিয়ে ক্ৰমে এখনকৈহে আসন লাভ কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে বি টি এ ডিৰ সমষ্টিৰ মুঠ সংখ্যা হৈছে ৪০। এই নিৰ্বাচনত কোনো এটা দলে একক সংখ্যাগৰিষ্ঠতা লাভ নকৰাত বিজেপি,

ইউপিপিএল আৰু গণ সুৰক্ষা পাৰ্টি মিলি নতুন পৰিষদ গঠন কৰে। ইউপিপিএলৰ মুৰব্বী তথা সদৌ বড়ো ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি প্ৰমোদ বড়োৱে ১৫ ডিছেম্বৰত বিটিচিৰ নতুন মুৰব্বী (মুখ্য কাৰ্য্যবাহী সদস্য, CEM) হিচাপে শপত গ্ৰহণ কৰে। সাতজনীয়া কাৰ্য্যবাহী পৰিষদত গোবিন্দ বসুমতাৰী উপ-মুখ্য কাৰ্য্যবাহী সদস্য হিচাপে নিৰ্বাচিত হয় আৰু সকলো বিষয়ববীয়াক ৰাজ্যখনৰ মুখ্য সচিব জিষ্ণু বৰুৱাই শপত বাক্য পাঠ কৰোৱায়। ২০০৩ চনত গঠন হোৱা বিটিএডিত একেৰাহে তিনিটা কাৰ্য্যকাল বিপিএফ দলে শাসন কৰি আছিল। উল্লেখযোগ্য যে অসমৰ ৰাজ্যপালে ৬ জন লোকক পাৰিষদ হিচাপে বিটিএডিলৈ মনোনীত কৰিব পাৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায় অনুসৰি ২৪ ডিছেম্বৰত অনুষ্ঠিত আস্থা ভোটত মুখ্য কাৰ্য্যবাহী সদস্য প্ৰমোদ বড়োৱে বিজয় সাব্যস্ত কৰে।

## তিৱা স্বায়ত্ত পৰিষদৰ নিৰ্বাচন

যোৱা ১৭ ডিছেম্বৰ তাৰিখে তিৱা স্বায়ত্তশাসিত পৰিষদৰ ৩৫টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হয়। ৩৬ জনীয়া পৰিষদৰ এটা সমষ্টিত (গোভা সমষ্টি) প্ৰাৰ্থীগৰাকী বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। নগাঁও, মৰিগাঁও, কামৰূপ (মহানগৰ) আৰু হোজাই জিলাৰ কিছু অংশ সামৰি লোৱা এই তিৱা স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত এইবাৰ ৩,০৮,৪০৯ জন ভোটাৰে ১২৪ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ধাৰণ কৰে। ১৯ ডিছেম্বৰত ঘোষিত ফলাফল অনুসৰি বিজেপি দলে ৩৩ খন আৰু অগপই ০২ খন আসন লাভ কৰি ক্ষমতা দখল কৰে। আনহাতে প্ৰধান বিৰোধী দল জাতীয় কংগ্ৰেছে মাত্ৰ ০১ খন আসনহে লাভ কৰিবলৈ সমৰ্থ হয়।

## য়েছে দৰজে ঠংচিলৈ চুকাফা বঁটা

যোৱা ২ ডিছেম্বৰ তাৰিখে বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচিক চুকাফা বঁটা প্ৰদান কৰা হয়। ডিব্ৰুগড়ৰ ধেমেচী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত



অনুষ্ঠিত 'অসম দিৱস'ৰ কেন্দ্ৰীয় অনুষ্ঠানত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে সাহিত্যিকগৰাকীক এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰে। পদ্মশ্ৰী সন্মান আৰু সাহিত্য অকাডেমি বঁটা বিজয়ী যশস্বী সাহিত্যিকগৰাকীৰ ঘৰ অৰুণাচল প্ৰদেশৰ পশ্চিম কামেং জিলাৰ জিগান গাঁৱত। তেওঁৰ মাতৃভাষা অসমীয়া নহয় যদিও তেওঁ স্কুলীয়া জীৱনৰ পৰাই অসমীয়া ভাষাত সাহিত্য সৃষ্টিত মনোনিৱেশ কৰি আহিছে। ১৯৬৭ চনত প্ৰকাশিত 'জোনবাই' নামৰ কবিতাটোৰে তেওঁ সাহিত্য জগতখনত আত্মপ্ৰকাশ কৰে। ১৯৫২ চনৰ ১৩ জুনত জন্মলাভ কৰা সাহিত্যিকজনৰ কেইখনমান জনপ্ৰিয় গ্ৰন্থ হৈছে—মৌন ওঁঠ মুখৰ হৃদয়, সীমান্তৰ দাবানল, চনম, শৰ কটা মানুহ, বিষ কন্যাৰ দেশত, মই আকৌ জনম ল'ম' ইত্যাদি। এই বঁটাত আছে এখন গামোচা, চাদৰ, হেংদাং, সঁফুৰা আৰু নগদ ৩ লাখ টকা। উল্লেখযোগ্য যে ২০০৪ চনৰ পৰা প্ৰৱৰ্তন কৰা চুকাফা বঁটা ২০১১ চনৰ পৰা প্ৰতি ৩ বছৰৰ মূৰে মূৰে দিয়াৰ নিয়ম প্ৰচলন কৰা হৈছে।

## এদিনীয়া ক্ৰিকেটত বিৰাট কোহলীৰ দ্ৰুততম ১২,০০০ ৰাণ

ভাৰতীয় ক্ৰিকেট দলৰ অধিনায়ক বিৰাট কোহলীয়ে যোৱা ২ ডিছেম্বৰ তাৰিখে এদিনীয়া ক্ৰিকেটত দ্ৰুততম ১২,০০০ ৰাণ সংগ্ৰহ কৰাৰ অভিলেখ স্থাপন কৰে। কিংবদন্তী ক্ৰিকেটাৰ শচীন টেণ্ডুলকাৰৰ নামত থকা অভিলেখ তেওঁ ভংগ কৰে। অষ্ট্ৰেলিয়াৰ ৰাজধানী কেনবেৰাত অনুষ্ঠিত ভাৰত-অষ্ট্ৰেলিয়াৰ মাজত অনুষ্ঠিত তৃতীয়খন এদিনীয়া ক্ৰিকেট খেলত ২৩ ৰাণ সংগ্ৰহ কৰি তেওঁ এই বিশ্ব অভিলেখ গঢ়ে। ২৪২ খন এদিনীয়া খেল খেলি কোহলীয়ে এই অভিলেখসংখ্যক ৰাণ সংগ্ৰহ কৰিবলৈ সক্ষম হয়। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

## খবৰৰ লেছেৰি বোটলা

**(২১ নৱেম্বৰ ২০২০ ৰ পৰা ২০ ডিছেম্বৰ, ২০২০লৈ)**

২১ **নৱেম্বৰ** : স্নাতকোত্তৰ আয়ুৰ্বেদিক চিকিৎসকেও এতিয়াৰ পৰা অস্থি, নেত্ৰ, ই এন টি আৰু দন্তৰ সাধাৰণ শল্য চিকিৎসা কৰিব পাৰিব বুলি কেন্দ্ৰীয় চৰকাৰে ৰাজপত্ৰিত জাননী জাৰি কৰে।

২২ **নৱেম্বৰ** : মেঘালয়ত পোহৰ দিয়া বিৰল প্ৰজাতিৰ কাঠফুলা আৱিষ্কাৰ হয়।

- দুলীয়াজানত অনুষ্ঠিত সদৌ অসম ছাত্ৰ সন্থাৰ ১৭ সংখ্যক সন্মিলনত দীপাংক কুমাৰ নাথ আৰু শংকৰজ্যোতি বৰুৱা সংগঠনটোৰ ক্ৰমে সভাপতি আৰু সম্পাদক নিৰ্বাচিত হয়।

২৩ **নৱেম্বৰ** : অসমৰ একেৰাহে তিনিটা কাৰ্য্যকাল সম্পূৰ্ণ কৰা প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ ৮৬ বছৰ বয়সত মৃত্যু হয়।

- লণ্ডনত অনুষ্ঠিত বিশ্ব এ টি পি টেনিচ প্ৰতিযোগিতাত ৰাছিয়াৰ ডেনিয়েল মেডডেভেন চেম্পিয়ন হয়।

২৫ **নৱেম্বৰ** : আৰ্জেণ্টিনাৰ বিশ্ববিখ্যাত কিংবদন্তি ফুটবল খেলুৱৈ ডিয়েগো মাৰাডোনাৰ ৬০ বছৰ বয়সত মৃত্যু হয়।

২৬ **নৱেম্বৰ** : গ্ল'বেল কৰাপচন বেৰ'মিটাৰ নামৰ সংস্থাটোৱে ভাৰত এছিয়া মহাদেশৰ আটাইতকৈ অধিক দুৰ্নীতিগ্ৰস্ত দেশ বুলি প্ৰকাশ কৰে।

১ **ডিছেম্বৰ** : ভাৰতে ৪০০ কিল'মিটাৰ দূৰত্বভেদী (জলপৃষ্ঠৰ পৰা) ব্ৰাহ্ম'ছ (Brahmos) মিছাইল সফলভাৱে উৎক্ষেপণ কৰে।

৪ **ডিছেম্বৰ** : ৰাধাকৃষ্ণণ নায়াৰক এথলেটিকচ ফেডাৰেচন অব ইণ্ডিয়াৰ মুখ্য প্ৰশিক্ষক হিচাপে নিযুক্তি দিয়া হয়।

৫ **ডিছেম্বৰ** : চীন দেশে 'চাং-ই-ফাইভ' চন্দ্ৰ অভিযানৰ জৰিয়তে চন্দ্ৰত নিজ দেশৰ জাতীয় পতাকা উত্তোলন কৰিবলৈ সক্ষম হয়।

৮ **ডিছেম্বৰ** : মাউণ্ট এভাৰেষ্ট শৃংগটোৰ উচ্চতা ৮৬ ছেমি. বৃদ্ধি পোৱা বুলি নেপাল আৰু চীন দেশে ঘোষণা কৰে।

৯ **ডিছেম্বৰ** : ভাৰতৰ টেষ্ট খেলুৱৈ পাৰ্থিৱ পেটেলে ক্ৰিকেট খেলৰ পৰা অৱসৰগ্ৰহণ কৰে।

১০ **ডিছেম্বৰ** : লিখক, সাংবাদিক তথা অৱসৰপ্ৰাপ্ত আই এ এছ বিষয়া জ্যোতিপ্ৰসাদ শইকীয়াৰ ৭৫ বছৰ বয়সত মৃত্যু হয়।

১১ **ডিছেম্বৰ** : আমেৰিকা যুক্তৰাষ্ট্ৰৰ নাছাই (NASA) ১৮ জনীয়া মানৱযুক্ত চন্দ্ৰ অভিযান কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

১২ **ডিছেম্বৰ** : ভাৰতীয় মূলৰ ৰাহুল জুবেক আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিখ্যাত টাইম আলোচনীয়ে 'হিৰো' অব ২০২০' সন্মান প্ৰদান কৰে।

১৫ **ডিছেম্বৰ** : ইংলেণ্ডৰ প্ৰধান মন্ত্ৰী ব'ৰিচ জনচনে ভাৰতৰ গণৰাজ্য দিৱস কাৰ্য্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বুলি ভাৰত চৰকাৰে ঘোষণা কৰে।

১৬ **ডিছেম্বৰ** : ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ উন্নয়ন আয়োগে প্ৰকাশ কৰা অনুসৰি ভাৰতে মানৱ সম্পদ উন্নয়নৰ সূচাংকত ১৩১ সংখ্যক স্থান লাভ কৰে।

১৭ **ডিছেম্বৰ** : মুক্ত সীমান্ত বন্ধ কৰাকে ধৰি বিভিন্ন বিষয়ত সহযোগিতা বৃদ্ধিৰ বাবে ভাৰত আৰু বাংলাদেশে সাতখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে।

১৮ **ডিছেম্বৰ** : ভাৰতীয় মূলৰ আমেৰিকান ৰাজা চৰিক নাচাৰ চন্দ্ৰ অভিযানৰ অধিনায়ক হিচাপে নিযুক্তি দিয়া হয়।

১৯ **ডিছেম্বৰ** : নেডাৰলেণ্ডৰ ৰেডিঅ' টেলিস্কোপত অন্য গ্ৰহৰ ৰেডিঅ' সংকেত ধৰা পৰা বুলি 'এষ্ট্ৰ'নমি এণ্ড এষ্ট্ৰ'ফিজিক্স' নামৰ গৱেষণা আলোচনীখনে প্ৰকাশ কৰে। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

# প্ৰমথেশ চন্দ্ৰ বৰুৱা

■ যুথিকা পাটোৱাৰী



অসম তথা ভাৰতৰ সংস্কৃতিপ্ৰেমী এনে এগৰাকী ব্যক্তি নাই যিয়ে প্ৰমথেশ চন্দ্ৰ বৰুৱা বা চমুকৈ প্ৰমথেশ বৰুৱাৰ নাম শুনা নাই। প্ৰমথেশ বৰুৱা আছিল ভাৰতৰ প্ৰাক্ স্বাধীনতা যুগৰ এজন অভিনেতা, পৰিচালক আৰু চিত্ৰনাট্যকাৰ।

প্ৰমথেশ বৰুৱাৰ জন্ম হৈছিল ১৯০৩ চনৰ ২৪ অক্ট'বৰত অসমৰ গোৱালপাৰা জিলাৰ গৌৰীপুৰৰ বিখ্যাত জমিদাৰ পৰিয়ালত। তেওঁৰ পিতৃ আছিল প্ৰভাত চন্দ্ৰ বৰুৱা আৰু মাতৃ সৰোজবালা। তেওঁ শৈশৱকাল অতিবাহিত কৰিছিল গৌৰীপুৰতে। শৈশৱ কালতে বৰুৱাই গৌৰীপুৰত ইউনাইটেড ক্লাব নামৰ এটা সাংস্কৃতিক সংঘ খুলিছিল। ইয়াৰ যোগেদি তেওঁলোকে স্থানীয়ভাৱে বিভিন্ন নাটক মঞ্চস্থ কৰিছিল।

গৌৰীপুৰত শিক্ষাৰম্ভ কৰা বৰুৱাই পৰৱৰ্তী সময়ত ১৯২৪ চনত প্ৰেছিডেন্সি কলেজৰ পৰা পদাৰ্থবিজ্ঞানৰ স্নাতক ডিগ্ৰী লাভ কৰিছিল।

শিক্ষা সাং কৰি তেওঁ ইউৰোপ ভ্ৰমণলৈ যায় আৰু তেতিয়াই প্ৰথমবাৰৰ বাবে চলচ্চিত্ৰৰ প্ৰতি আকৃষ্ট হয়। ইউৰোপৰ পৰা উভতি অহাৰ পিছত ১৯২৬ চনত তেওঁৰ মাতৃ বিয়োগ হয় আৰু তেতিয়াই তেওঁ জমিদাৰী কাম-কাজত মনোনিৱেশ কৰে। প্ৰমথেশ বৰুৱা কিছুদিনৰ বাবে অসম বিধানসভাৰ সদস্যও আছিল।

গৌৰীপুৰত কিছুদিন কটোৱাৰ পিছতে তেওঁ কলিকতালৈ ৰাওনা হয় আৰু ঘৰৰ সকলোৰে আপত্তি সত্ত্বেও চলচ্চিত্ৰ জগতত সোমাই পৰে।

কলিকতালৈ গৈ প্ৰমথেশ বৰুৱাই ধীৰেন্দ্ৰ নাথ গাংগুলীৰ দা ব্ৰিটিছ ডমিনিয়ান ফিল্ম লিমিটেডত কিছু ধন বিনিয়োগ কৰে আৰু অভিনেতা হিচাপেও আত্মপ্ৰকাশ কৰে। ইয়াৰ পিছত তেওঁ দ্বিতীয়বাৰৰ বাবে ইউৰোপ ভ্ৰমণলৈ যায়। লণ্ডনত তেওঁ চলচ্চিত্ৰ নিৰ্মাণ সম্পৰ্কে কিছু অভিজ্ঞতা লাভ কৰে আৰু পেৰিছত 'লাইট বয়' হিচাপেও কাম শিকে। পেৰিছৰ পৰা চলচ্চিত্ৰ নিৰ্মাণৰ বাবে কিছু সামগ্ৰী তেওঁ ভাৰতলৈ কিনি আনে আৰু 'বৰুৱা পিকচাৰ্ছ লিমিটেড' নামে এটা ষ্টুডিঅ' স্থাপন কৰে। ১৯৩১ চনত এই ষ্টুডিঅ'টোৰ পৰা দেৱকী বসুৰ পৰিচালনাত এখন নিৰ্বাক চলচ্চিত্ৰ 'অপৰাধী'য়ে মুক্তি লাভ কৰে। এইখন ছবিতেই প্ৰথমবাৰৰ বাবে ভাৰতীয় চলচ্চিত্ৰত 'কৃত্ৰিম পোহৰ'ৰ কৌশল ব্যৱহাৰ কৰা হয়। এই ছবিৰ সফলতাৰ পিছত বৰুৱাই ১৯৩২ চনত 'ভাগ্যলক্ষ্মী' নামৰ এখন ছবিত খলনায়কৰ চৰিত্ৰত অভিনয় কৰিছিল। ইয়াৰ পিছত বৰুৱাই নিউ থিয়েটাৰ্ছ নামৰ চলচ্চিত্ৰ নিৰ্মাণ সংস্থা এটাত যোগদান কৰিছিল আৰু ইয়াত থাকোঁতেই বৰুৱাই তেওঁৰ জীৱনৰ আটাইতকৈ উল্লেখযোগ্য ছবি 'দেৱদাস' নিৰ্মাণৰ সুযোগ পায়। শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ৰ একে নামৰ উপন্যাসৰ আধাৰত নিৰ্মাণ কৰা ছবিখন প্ৰথমতে বাংলা ভাষাত নিৰ্মাণ হৈছিল আৰু বৰুৱাই নিজেই তাত নায়কৰ ভূমিকাত অভিনয় কৰিছিল। পিছত কুণ্ডনলাল চাইগলক নায়ক হিচাপে লৈ তেওঁ ১৯৩৬ চনত হিন্দী ভাষাত 'দেৱদাস'ৰ পুনৰ নিৰ্মাণ কৰে আৰু সময়ত এই ছবিখনে এখন অন্যতম জনপ্ৰিয় ছবি হিচাপে স্বীকৃতি লাভ কৰে। এই ছবিখনেই বৰুৱাক এজন আগশাৰীৰ পৰিচালক হিচাপে প্ৰতিষ্ঠা কৰে। 'দেৱদাস' ছবিখনত ভাৰতৰ ভিতৰতে প্ৰথমবাৰৰ বাবে ফ্লাশ্বেক মন্তাজ, টেলিপেথী আৰু চাবজেক্টিভ কেমেৰাৰ দৰে আধুনিক কৌশল ব্যৱহাৰ কৰা হৈছিল। পৰৱৰ্তী সময়ত বৰুৱাই

কেইবাখনো হিন্দী চলচ্চিত্ৰ পৰিচালনা কৰিছিল। তাৰ ভিতৰত ‘মঞ্জিল’ (১৯৩৬), ‘ৰজত’ (১৯৩৯), ‘অধিকাৰ’ (১৯৩৮) আদি উল্লেখযোগ্য।

বৰুৱাৰ ছবিসমূহত সদায়ে চিনেমেট’গ্ৰাফাৰৰ দায়িত্ব বহন কৰিছিল বিমল ৰয়ে। পিছলৈ তেওঁ নিজেই এগৰাকী আগশাৰীৰ পৰিচালকৰূপে বিখ্যাত হৈ পৰে।

প্ৰমথেশ বৰুৱাই ১৯৩৯ চনত নিউ থিয়েটাৰ্ছ ত্যাগ কৰে আৰু নিজাকৈ ছবি নিৰ্মাণ কৰিবলৈ লয়। কিন্তু পিছলৈ তেওঁৰ ছবিসমূহে বিশেষ সফলতা লাভ কৰিব পৰা নাছিল।

১৯৫১ চনৰ ২৯ নৱেম্বৰত মাত্ৰ ৪৮ বছৰ বয়সতে তেওঁ কলিকতাৰ মৌলীন ষ্ট্ৰীটৰ নিজা বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে। এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে তেওঁৰ চাৰিগৰাকী সন্তানৰ এগৰাকী হ’ল গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী হিচাপে পৰিচিত প্ৰতিমা পাণ্ডে বৰুৱা।


প্ৰমথেশ বৰুৱাদেৰৰ নাম ভাৰতীয় চলচ্চিত্ৰ ইতিহাসত সোণালী আখৰেৰে লিখা আছে। আমি অসমীয়া হিচাপে তেওঁক লৈ সদায় গৌৰৱ কৰিব পাৰোঁ। ❖

## বিজ্ঞান বাৰ্তা

# পৃথিৱীক ঘেৰি থকা তৰপটো

■ মহানন্দ শৰ্মা

আমাৰ পৃথিৱীখনত জীৱসমূহক জীয়াই থকাৰ সুযোগ দিছে বায়ুমণ্ডলে। এই বায়ুমণ্ডলতে আছে এটা অতিবেঙুনীয়া ৰশ্মি প্ৰতিৰোধী তৰপ। তাৰ নাম অজ’ন (ozone) স্তৰ। ই সূৰ্য্যৰ অতিবেঙুনীয়া ৰশ্মি পৃথিৱীলৈ নামি অহাত বাধা প্ৰদান কৰে। অজ’ন স্তৰ অবিহনে আমাৰ জীৱ সমষ্টিৰ বহুখিনি বিঘিনি ঘটিলহেঁতেন। অজ’ন স্তৰে পৃথিৱীক ৰক্ষা কৰি আহিছে। সূৰ্য্যৰ পৰা অহা অতি ক্ষতিকাৰক অতিবেঙুনীয়া ৰশ্মিৰ বাবে জীৱজগতৰ ওপৰত অভাৱনীয় প্ৰভাৱ পৰিলহেঁতেন। অজ’ন স্তৰে ইয়াক বাধা দি আমাক ৰক্ষা কৰি আহিছে। পিছে এই মানৱ সমাজৰ হিতকাৰী স্তৰত সৃষ্টি হৈছে বিশাল আকাৰৰ বিন্ধা। বিভিন্ন ৰাসায়নিক বিক্ৰিয়াৰ ফলত অজ’ন স্তৰত বিন্ধাৰ সৃষ্টি হৈছে। এই বিন্ধা আমেৰিকাৰ ভূভাগৰ সমানেই ডাঙৰ। মানৱসৃষ্ট কৰ্মৰাজিৰ বাবেই এই বিন্ধা বহল হৈ গৈ আছে। লাহে লাহে ই জীৱজগতৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাইছে।



### ■ কি এই অজ’ন স্তৰ?

পৃথিৱীৰ বায়ুমণ্ডলত কেইবাটাও তৰপ আছে। এই তৰপবোৰৰ মাজতে আছে অজ’ন স্তৰ। মূলতঃ অজ’ন গেছৰ সমষ্টি এই স্তৰ। পৃথিৱীৰ গাতে লাগি থকা ট্ৰপ’স্ফিয়েৰ (তপোমণ্ডল) আৰু তাৰ ওপৰত থকা ষ্ট্ৰেট’স্ফিয়েৰ (স্তৰমণ্ডল) নামৰ তৰপ দুটাৰ মাজতে অৱস্থান কৰি আছে এই অজ’ন স্তৰে। পৃথিৱীৰ পৰা মাথোঁ ২০-৩০ কিলোমিটাৰ উচ্চতাত ষ্ট্ৰেট’স্ফিয়েৰৰ নিম্নাংশত আছে গধুৰ এই গেছীয় তৰপটো। সাধাৰণতে ষ্ট্ৰেট’স্ফিয়েৰত জলীয় ভাপ নাথাকে বাবে ইয়াত ডাৱৰ আৰু বৰষুণৰ সৃষ্টি নহয়। এই মণ্ডলত তুলনামূলকভাৱে অজ’ন গেছৰ পৰিমাণেই

বেছি। তিনিটা অক্সিজেন অণুৰে গঠিত অজ'ন সাধাৰণতে প্ৰাকৃতিকভাৱে সৃষ্টি হোৱা গেছ। ইয়াৰ বৰণ নীলা আৰু তীব্ৰ গোন্ধযুক্ত। আমি উশাহত গ্ৰহণ কৰা অক্সিজেনৰ অণুত দুটা অক্সিজেন পৰমাণু থাকে। ইয়াৰ বৰণ বা গোন্ধ একোৱেই নাথাকে। ইয়াৰ ৰাসায়নিক সংকেত $O_2$। যেতিয়া অতিবেঙুনীয়া ৰশ্মিয়ে অক্সিজেনক আঘাত কৰে, তেতিয়া অক্সিজেনৰ পৰমাণু দুটা পৃথক হৈ পৰে। এনে অকলশৰীয়া এটা পৰমাণু অক্সিজেন গেছৰ এটা অণুৰ লগত যুক্ত হৈ অক্সিজেনৰ তিনিটা অণুৰে অজ'ন ($O_3$) গেছৰ সৃষ্টি কৰে। বিভিন্ন ঋতুভেদে আৰু ভৌগোলিক অৱস্থান অনুসৰি অজ'ন স্তৰৰ গাঢ়তা বেলেগ বেলেগ হয়। ষ্ট্ৰেট'স্ফিয়েৰৰ অজ'ন স্তৰে এটা স্বাভাৱিক প্ৰক্ৰিয়াৰে পৃথিৱীৰ জীৱ সমষ্টিক ৰক্ষা কৰি আহিছে। ই উপকাৰী অজ'ন গেছ। মানৱসৃষ্ট কৰ্মৰাজিয়ে উপকাৰী অজ'ন স্তৰটোকেই ক্ষতি কৰিছে।

## ■ কি ঘটিছে অজ'ন স্তৰত ?

অজ'ন স্তৰত এতিয়া বিন্ধাৰ সৃষ্টি হৈছে। এই বিন্ধাৰ জৰিয়তে পৃথিৱীলৈ নামি আহে ক্ষতিকাৰক অতিবেঙুনীয়া ৰশ্মি। অজ'ন স্তৰত বৃহৎ বিন্ধাৰ সৃষ্টি কৰিছে প্ৰদূষক গেছসমূহে। বিশেষকৈ ক্ল'ৰ'ফ্ল'ৰ'কাৰ্বন চমুকৈ 'চিএফচি'য়ে অজ'ন স্তৰক অনবৰত অনিষ্ট কৰি আহিছে। চিএফচিয়ে অজ'ন স্তৰক যি আঘাত কৰি আহিছে, তাৰ কুফল ভুঞ্জিবলৈ ওলাইছে বিশ্ববাসী। কিয়নো, পৃথিৱীৰ পৰা ষ্ট্ৰেট'স্ফিয়েৰলৈ অহৰ্নিশে উঠি গৈ আছে চিএফচি। বিভিন্ন কল-কাৰখানাৰ উৎপাদন কাৰ্য্য, ঘৰত ব্যৱহাৰ কৰা এয়াৰ কণ্ডিচনাৰ, ৰেফ্ৰিজাৰেটৰ, বিভিন্ন কণ্টেইনাৰ আদিয়ে নিৰ্গত কৰা চিএফচি বায়ুতকৈও গধুৰ। এই ক্ষতিকাৰক পদাৰ্থ বতাহত ২-৫ বছৰ পৰ্য্যন্ত ভাহি ফুৰে আৰু বতাহৰ গতিৰ লগে লগে উচ্চতালৈ উঠি যায় আৰু অজ'ন স্তৰত আঘাত কৰে। বিভিন্ন ৰাসায়নিক বিক্ৰিয়াৰ ফলত অজ'ন স্তৰত বিন্ধাৰ সৃষ্টি হৈছে। এই বিন্ধা ইমানেই বিশাল যে ই আমেৰিকাৰ সমানেই ডাঙৰ। শীতকালি দুই মেৰুত বৰফ, নাইট্ৰিক এছিড আৰু ছালফিউৰিক এছিডৰ মিশ্ৰণৰ ৰাসায়নিক বিক্ৰিয়াত অভাৱনীয় পৰিমাণে চিএফচিৰ সৃষ্টি হয়। ইয়ে গ্ৰীষ্মকালৰ সময়ছোৱাত অজ'ন স্তৰত বিশাল আকাৰৰ বিন্ধাৰ সৃষ্টি কৰে। অতিবেঙুনীয়া ৰশ্মিয়ে ভাঙি পেলোৱা চিএফচিৰ এটা মাথোঁ ক্ল'ৰিন অণুৰে ১ লাখ অজ'ন অণু ধ্বংস কৰিব পাৰে।

## ■ কি হ'ব মানুহৰ দশা?

অজ'ন বিন্ধাৰ ফল স্বাভাৱিকতে আমাৰ বাবে নেতিবাচক। মানুহ বা আন সকলো জীৱৰ ক্ষেত্ৰতে অনাকাংক্ষিত প্ৰভাৱ পৰাৰ আশংকা আছে। সূৰ্য্যই অনবৰতে আমাৰ পৃথিৱীলৈ তাপ আৰু পোহৰ এৰি দিয়ে। সূৰ্য্যৰ পৰা পৃথিৱীলৈ আহে ক্ষতিকাৰক অতিবেঙুনীয়া ৰশ্মি। এই ৰশ্মি হৈছে তিনিবিধ— ইউভি-এ, ইউভি-বি আৰু ইউভি-চি। অজ'ন স্তৰে এই ৰশ্মিক পৃথিৱীৰ বায়ুমণ্ডল ভেদ কৰি ধৰাপৃষ্ঠলৈ অহাত বাধা দিয়ে। অতিবেঙুনীয়া ৰশ্মিক আমি দেখা নাপাওঁ আৰু অনুভৱো কৰিব নোৱাৰোঁ। ইউভি-এৰ তৰংগ দৈৰ্ঘ্য দীঘল। এই দৈৰ্ঘ্য ৩১৫-৩৯৯ নেন'মিটাৰ। এই ৰশ্মি সকলো সময়তে পৃথিৱীপৃষ্ঠত পৰে। ই আমাৰ শৰীৰত ভিটামিন-ডি গঠনত সহায় কৰে। কিন্তু এই ৰশ্মিৰ পৰিমাণ বৃদ্ধিয়ে আমাৰ শৰীৰত ছালৰ কৰ্কট ৰোগ সৃষ্টিত অৰিহণা যোগায়। ইউভি-বিৰ তৰংগ দৈৰ্ঘ্য চুটি। ২৮০-৩১৪ নেন'মিটাৰ। মানুহ বা আন জীৱৰ কোষ ধ্বংস কৰাত এই ৰশ্মিয়ে সহায় কৰে। ই জিন সংবহনকাৰী ডিএনএকো ধ্বংস কৰিব পাৰে। যদিহে সূৰ্য্যৰ পৰা অহা অধিকাংশ ইউভি-বি ৰশ্মিয়ে পৃথিৱী ঢুকি পায়, তেন্তে আমাৰ সকলোৰে ছালৰ কৰ্কট ৰোগ আৰু চকুৰ কেটেৰেক্ট ৰোগ হোৱাটো নিশ্চিত। বালি, বৰফ আৰু পানীয়ে এনে ৰশ্মি প্ৰতিফলিত কৰে বাবে ক্ষতিৰ মাত্ৰা বাঢ়ে। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## প্ৰথম অসমীয়া চুটিগল্প



চুটিগল্প কি সেয়া তোমালোকে নিশ্চয় জানা। চুটিগল্প হৈছে সাহিত্যৰ এটা ভাগ। চুটিগল্পত কম কথাৰ মাজেৰে জীৱনৰ কিছুমান সৰু-বৰ কথা তুলি ধৰা হয়। চুটিগল্পত কাহিনীয়ে গুৰুত্ব পায় বাবেই সকলো মানুহে চুটিগল্প পঢ়ি ভাল পায়। চুটিগল্পবোৰ চুটি হোৱা বাবে কম সময়ৰ ভিতৰতে পঢ়ি শেষ কৰিব পাৰি। চুটিগল্পৰ কাহিনীবোৰ হঠাতে আৰম্ভ হয় আৰু নাটকীয় ধৰণে সামৰণিও পেলোৱা হয়। অসমীয়া চুটিগল্পৰ জনক কোন অৰ্থাৎ কাৰ হাতত অসমীয়া চুটিগল্পই জন্মলাভ কৰিছিল সেইকথা তোমালোকে নিশ্চয় জানা। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া চুটিগল্পৰ প্ৰথমগৰাকী লেখক। ‘জোনাকী আলোচনীৰ চতুৰ্থ বছৰ চতুৰ্থ সংখ্যাত (মে, ১৮৯২) প্ৰকাশিত ‘সেউতী’ নামৰ গল্পটোৰেই তেওঁ অসমীয়া চুটিগল্পৰ শুভাৰম্ভণি কৰিছিল। গল্পটোত সেউতী নামৰ এজনী ন বছৰীয়া ছোৱালীৰ জীৱনৰ কথা আছে। সেই সময়ৰ প্ৰচলিত নিয়ম অনুসৰি সেউতীকো ন বছৰ বয়সতে বিয়া দিয়াৰ পাছত হোৱা বিপৰ্য্যয়ৰ বৰ্ণনা আছে। তদুপৰি গল্পটো পঢ়িলে আমি বেজবৰুৱাৰ সমসাময়িক সমাজখন কেনে আছিল, মানুহৰ আচাৰ-ব্যৱহাৰবোৰ কেনে আছিল, সেইখন সমাজত নাৰীৰ স্থান কেনে আছিল সেই বিষয়ে অৱগত হ’ব পাৰোঁ। গল্পটোত কিছুমান ৰসাল বৰ্ণনাও আছে। অৱশ্যে গল্পটোৰ মাজেৰে পাঠকক আনন্দ দিয়াতকৈ এজনী কনমাণি ছোৱালীৰ জীৱনলৈ নামি অহা দুখৰ কথাহে গল্পটোত ক’বলৈ চেষ্টা কৰা হৈছে। প্ৰসংগক্ৰমে আৰু এটা কথা তোমালোকক জনাই থওঁ। লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা সুৰভি (১৯০৯) নামৰ সংকলনখনেই প্ৰথম অসমীয়া চুটিগল্পৰ সংকলন। তেওঁৰ আন কেইখন গল্পপুথি হ’ল--জোনবিৰি, সাধুকথাৰ কুঁকি আৰু কেহোঁকলি। ❖

**শুধৰণি**

অন্বেষণৰ নৱেম্বৰ, ২০২০ সংখ্যাত আপুৰুগীয়া স্মৃতি শিতানত প্ৰকাশ পোৱা এখন আলোকচিত্ৰৰ ব্যক্তি দুগৰাকী জ্যোতিপ্ৰসাদ আগৰৱালা আৰু আইদেউ সন্দিকৈ বুলি উল্লেখ কৰা হৈছিল। প্ৰকৃততে সেই আলোকচিত্ৰখন অৰূপ মান্না পৰিচালিত আইদেউ নামৰ চলচ্চিত্ৰখনৰ এখন স্থিৰ চিত্ৰহে। ব্যক্তি দুগৰাকী ক্ৰমে প্ৰশান্ত বৰা আৰু চন্দনা শৰ্মা। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## কাঁইটত কেতেকী




জানমণি নামৰ সৰু এটি ল'ৰাৰ কাহিনী আছে কিতাপখনত। জানমণি স্বাস্থ্যবান ল'ৰা। তাৰ গাৰ ৰং উজ্জ্বল মিঠা বৰণীয়া, চুলিখিনি গাঢ় ক'লা, চকু কেইটা ডাঙৰ ডাঙৰ, সি একেবাৰে লোডোৰ-পোডোৰ চেহেৰাৰ ল'ৰা। কিন্তু এই ধুনীয়া ল'ৰাটোৰ কাম-কাজবোৰহে বৰ আচহুৱা—সি স্কুললৈ যাবলৈ মন নকৰে, বৰ খঙাল আৰু ঘৰতো কিছুমান অদ্ভুত আচৰণ কৰে। মনে বিচৰা মতে কামবোৰ নহ'লে সি ঘৰৰ বয়-বস্তু ভাঙি সকলোকে হাৰাশাস্তি কৰে। আনকি বিদ্যালয়তো সি কিছুমান নকৰিবলগীয়া কাম কৰে। খিৰিকীৰ আইনাও ভাঙে। তাৰ এনেকুৱা কাম-কাজবোৰে মাক-দেউতাকক বৰ লাজ দিয়ে। তাৰ মনৰ এই খং-ক্ষোভবোৰৰো কিছুমান কাৰণ নথকা নহয়। বহুত কাৰণত তাৰ মনটো বেয়া লাগে। মাক-দেউতাকে তাক সময় দিব নোৱাৰে। মাক কলেজৰ কামত ব্যস্ত হৈ থাকিবলগা হয়। বেংকৰ চাকৰিয়াল দেউতাকেও ঘৰ বন্ধাত ব্যস্ত হৈ থাকিবলগীয়া হোৱাৰ বাবে জানমণিক সময় দিবলৈ আহৰি নাপায়। হ'মৱৰ্ক কৰি নিনিয়া বাবে স্কুলত শিক্ষকে তাক ৰ'টেন প'টেট' বুলি কোৱাৰ বাবে সি মনতো বৰ আঘাত পায়। তাক মাকে গালি পাৰে,দেউতাকেও—আনকি বায়েকেও মাজে মাজে তাক দেখি মুখ ঘূৰাই লয়।—"মাকে তাক নামাতিলেই, আনকি ভাত খাবৰ সময়তো ন'কলে 'জানমণি ! আহা ভাত খোৱাহি।' সি বুজিলে মাকে তাক এসপ্তাহমান নামাতে। মাকে বেয়া পোৱা কাম কৰিলেই এনেকৈ তাক নমতাকৈ থাকে। জানমণিৰ অসহ্য লাগে, দেউতাকে মৰাদি ফলাখৰিৰে মাৰি ভৰি সেৰা পাতি দিয়ক,কিন্তু মাকজনীয়ে এনেকৈ নমতাকৈ থাকিলে জানমণিৰ হিয়াখন ক'লা পৰি যায়। বস্তু ভঙাৰ তীব্ৰ ইচ্ছা এটাই তাৰ মূৰটো গৰম কৰি দিয়ে।" এনেবোৰ কাৰণতে ভিতৰি ভিতৰি দুখী আৰু হতাশ জানমণিয়ে ঘৰৰ বয়-বস্তু ভাঙি লণ্ড-ভণ্ড কৰে। শিহৰণভৰা চিনেমা চাই ঘণ্টাৰ পিছত ঘণ্টা ব্যস্ত থাকে। জানমণিয়ে কৰা বেয়া আচৰণৰ আঁৰত আন এটা কথাও আছে। সৰুতে সিহঁতৰ ঘৰত কাম কৰা ছোৱালীজনীয়ে তাক কাগজ ফালি খেলিবলৈ শিকাইছিল। স্বাভাবিকতে তেতিয়াৰে পৰা জানমণিয়ে সেই ফলা-চিৰা কামবোৰ ভাল পোৱা হৈছিল। অৱশ্যে জানমণিৰ মন সলনি হয়। সিহঁতৰ ঘৰলৈ অনা ভুলু নামৰ কুকুৰ পোৱালিটোৱে তাৰ মন ভৰাই ৰাখে। সি সুন্দৰকৈ ছবি আঁকিবও জানে। সুন্দৰকৈ ছবি অঁকা, ৰং বুলোৱা জানমণিৰ মনৰ আনন্দই ঘৰখনৰ আটাইবোৰকে সুখী কৰি তোলে। জানমণিৰ এনেবোৰ কথা আছে 'কাঁহটত কেতেকী' নামৰ উপন্যাসখনত। উপন্যাসখন লিখিছে বিশিষ্ট সাহিত্যিক অৰূপা পটংগীয়া কলিতাই। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## অসমীয়া ফকৰা-যোজনা


### আঁঠুৰা চাই ঠেং মেলা



মহে নাকামুৰিবৰ বাবে আঁঠুৰাৰ ব্যৱহাৰ কৰা হয়। বিছনাত আঁঠুৰা ব্যৱহাৰ কৰোঁতে চাৰিওফালে ভালদৰে খুচি লোৱা হয়, যাতে আঁঠুৰাৰ ভিতৰত মহ সোমাব নোৱাৰে। কিন্তু আঁঠুৰাখনৰ অৱস্থান ভালদৰে নাচাই যদি আঁঠুৰাৰ বাহিৰত ওলাই থকাকৈ ভৰি মেলি দিয়া যায় তেতিয়া আঁঠুৰা দাং খাই মহ সোমাব আৰু আঁঠুৰা তৰাৰো কোনো অৰ্থ নাথাকিব। আঁঠুৰা চাই ঠেং মেলা কথাটো এক বিশেষ অৰ্থত ব্যৱহাৰ কৰা হয়। ইয়াৰ অৰ্থ হ'ল মানুহে নিজৰ আয় অনুসৰিহে ব্যয় কৰিব লাগে। নিজে কৰা উপাৰ্জন অনুসৰিহে খৰচ কৰিব লাগে। ইয়াৰ অন্যথা আয়ৰ তুলনাত ব্যয় বাঢ়ি ধাৰত পোত খাবলগীয়া হয়। ❖

### গছত উঠাই গুৰি কটা

কোনো এজন মানুহক যদি গছত উঠিবৰ বাবে কৈ, তেওঁক উৎসাহী কৰি গছৰ ওপৰত তুলি দি গছজোপাৰ গুৰিটো কাটি দিয়া হয় তেন্তে মানুহজন বিপদত পৰিব। হঠাতে গছজোপাৰ গুৰি কাটি দিলে মানুহজন গছজোপাৰ পৰা পৰি যাব, আঘাতপ্ৰাপ্ত হ'ব, মৃত্যুৰ আশংকাও থাকিব। কেতিয়াবা কিছুমান মানুহে আনক উৎসাহ-উদ্দীপনা যোগাই কিবা এক গুৰুত্বপূৰ্ণ কাম কৰিবলৈ আগবঢ়াই দিয়ে। প্ৰয়োজনীয় সহায়-সহযোগ আগবঢ়াব বুলিও কথা দিয়ে। কিন্তু যেতিয়া সহায়ৰ সময় আহে তেতিয়া তেওঁলোকে পৃষ্ঠভংগ দিয়ে। তেনে পৰিস্থিতিত আটাইবোৰ কামৰ বোজা অকলে এজন মানুহে বহন কৰিবলগা হয়। মানুহজন বিপদত পৰে। সেয়েহে মানুহে কিবা এটা গুৰুত্বপূৰ্ণ কাম কৰাৰ সময়ত সহযোগী হিচাপে থকা মানুহবোৰৰ স্বভাৱ সম্পৰ্কে সচেতন হৈ থাকিব লাগে। নহ'লে কেতিয়াবা বিশ্বাসঘাতকতাৰো সন্মুখীন হ'ব লগা হয়। ❖



# অসমৰ সাপ


**মচোৰা গোম সাপ :** ইংৰাজী নাম : Indian rat snake, বৈজ্ঞানিক নাম : *Ptyas mucosa* : মচোৰা গোম দক্ষিণ-পূব এছিয়াত সাধাৰণতে দেখিবলৈ পোৱা এবিধ সাপৰ প্ৰজাতি। এই সাপবিধ আকাৰত ডাঙৰ। ইহঁতৰ দেহৰ ওপৰভাগ মটীয়া ৰঙৰ আৰু দেহৰ পিছৰ অংশৰ ৰং ক'লা। এইবিধ সাপৰ নেজত কিছুমান ক'লা পথালি আঁচ থাকে। মচোৰা গোম সাপ নগৰীয়া অঞ্চলত নিগনিৰ আধিক্য থকা ঠাইত দেখিবলৈ পোৱা যায়। ইহঁতৰ প্ৰধান খাদ্য হৈছে নিগনি আৰু ভেকুলী।

**শংকা সাপ :** ইংৰাজী নাম : Banded krait, বৈজ্ঞানিক নাম : *Bungarus fasciatus* : শঁকা সাপ মূলতঃ বিহাৰ, ঝাৰখণ্ড, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ আৰু উত্তৰ-পূব ভাৰতত দেখা পোৱা যায়। এই সাপবিধ নিশাচৰ। ইহঁতৰ মূৰটো বহল আৰু চেপেটা। চকু দুটা ক'লা। সাধাৰণতে বনাঞ্চল, কৃষিভূমিত দেখা পোৱা শঁকা সাপে এন্দুৰৰ গাঁত, উঁই হাফলু আদিত বাস কৰে। ঘাইকৈ গাঁৱৰ মুকলি ঠাইত থকা এই সাপবিধ দুৰ্বল আৰু এলেহুৱা প্ৰকৃতিৰ। বৰষুণৰ বতৰত বেছিকৈ ওলোৱা এইবিধ সাপ নিশা বেছি সক্ৰিয় হয়। শঁকা সাপৰ প্ৰধান খাদ্য হৈছে অন্য সাপ আৰু সাপৰ কণী, মাছ, বেং, তেজপিয়া আদি।



**শালিকা ঠোঁটিয়া সাপ :** ইংৰাজী নাম : Oriental Whipsnake, বৈজ্ঞানিক নাম : *Ahaetulla prasina*

শালিকা ঠোঁটিয়া সাপ দক্ষিণ-পূব এছিয়াত বহুলভাৱে বিস্তৃত হৈ থকা গছ সাপৰ এটা প্ৰজাতি। এই সাপৰ দৈৰ্ঘ্য প্ৰায় ১.৮ মিটাৰ। ইহঁতৰ দেহৰ ৰং উজ্জ্বল সেউজীয়া বা মুগা-মটীয়া। দেহৰ তলফালে এডাল দীঘলীয়া হালধীয়া আঁচ আছে। সৰু আকাৰৰ সৰীসৃপ, উভচৰ প্ৰাণী খাই জীয়াই থকা এইবিধ সাপ ভাৰত, বাংলাদেশ, ভূটান আদি দেশত বিস্তৃত হৈ আছে। ❖



পৃথিৱীৰ প্ৰথম ৰঙীণ আলোক চিত্ৰখন তুলিছিল থমাছ ছাটন (Thomas Sutton) নামৰ এজন লোকে ১৯৬১ চনত। প্ৰখ্যাত বিজ্ঞানী জেম্‌চ ক্লাৰ্ক মেক্সৱেলে উদ্ভাৱন কৰা এক পদ্ধতিৰ সহায়ত এই আলোক চিত্ৰখন তোলা হৈছিল। ❖

# প্ৰচলন বন্ধ হোৱা কেইবিধমান ভাৰতীয় ধাতুৰ মুদ্ৰা

তোমালোকে মুদ্ৰা শব্দটো শুনিছা চাগে। আমি যিবোৰক টকা-পইছা বুলি কওঁ সেইবোৰেই মুদ্ৰা। বিভিন্ন কাৰণত কিছুমান মুদ্ৰাৰ প্ৰচলন বন্ধ হৈ যায়। ইয়াত আমাৰ দেশত প্ৰচলন বন্ধ হোৱা কিছুমান ধাতুৰ মুদ্ৰাৰ লগত চিনাকি কৰি দিবলৈ ওলাইছোঁ। মুদ্ৰাবোৰৰ ছবিৰ লগত মুদ্ৰাবিধৰ প্ৰচলন আৰম্ভ হোৱা বছৰ আৰু শেষবাৰ মুদ্ৰণৰ বছৰ দুটা উল্লেখ কৰা হৈছে।

| | |
|---|---|
|   ১৯৬৪ : ১৯৮১ |   ১৯৬৪ : ১৯৭৯ |
|   ১৯৬৪ : ১৯৭১ |   ১৯৬৪ : ১৯৮৪ |
|   ১৯৫৭ : ১৯৯৮ |   ১৯৬৮ : ১৯৯৭ |
|   ১৯৫৭ : ২০০২ |   ১৯৫৭ : ২০১৬ |

## শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

## বাদ্যযন্ত্ৰ

| অসমীয়া | | ইংৰাজী | অসমীয়া | | ইংৰাজী |
|---|---|---|---|---|---|
| বাঁহী | : | flute | ভোৰতাল | : | big cymbals |
| বীণ | : | Indian lute | টকা | : | bamboo clapper |
| বেহেলা | : | violin | কাঁহ | : | bronze gong |
| চেতাৰ | : | sitar | চাৰেঙ্গী | : | sarengi |
| শংখ | : | conch | পাতিতাল | : | small cymbals |
| সানাই | : | sehnai | হাৰমণিয়াম | : | harmonica |
| পেঁপা | : | reed pipe | তবলা | : | tabla |
| ৰণ শিঙা | : | war trumpet | নিসান | : | war drum |
| সুতুলী | : | terracotta whistle | নাগাৰা | : | big kettle drum |
| | | | বিষাণ | : | trumpet |
| দোতাৰা | : | double string guitar | বীণা | : | harp |
| | | | ঢোলক | : | tom-tom |
| ঢোল | : | drum | ডম্বৰু | : | drumet |
| তাল | : | cymbal | ডফলী | : | tambourine |
| দবা | : | kettle drum | শিঙা | : | horn |
| ঘণ্টা | : | bell | জয়ঢোল | : | victory drum ❖ |

# কুইজ

১। প্ৰথম মহিলা মহাকাশচাৰীগৰাকী ভষ্টক-৬ নামৰ মহাকাশযানেৰে ১৯৬৩ চনত মহাকাশলৈ গৈছিল। মহাকাশচাৰীগৰাকীৰ নাম কি?

২। 'গীতা ৰহস্যম' নামৰ গ্ৰন্থখনৰ লেখকজনক ব্ৰিটিছে 'ফাদাৰ অব ইণ্ডিয়ান আনৰেষ্ট' (Father of Indian Unrest) বুলি আখ্যা দিছিল। তেওঁ কৈছিল, স্বৰাজ মোৰ জন্মস্বত্ব। তেওঁ কোন?

৩। 'ধ্বনি কবি'ৰূপে খ্যাত সাহিত্যিকজনৰ প্ৰকাশিত পুথি হ'ল 'শংখধ্বনি', 'জয়ধ্বনি', 'প্ৰতিধ্বনি'। কোন তেওঁ?

৪। মোহনবাৰী বিমানবন্দৰ কোন জিলাত অৱস্থিত?

৫। অসম ইংৰাজৰ অধীনলৈ যোৱা ঐতিহাসিক ইয়াণ্ডাবু সন্ধি কোন চনত স্বাক্ষৰিত হৈছিল?

৬। বৰগীত এটাৰ দুটা অংশ থাকে। তাৰে এটা হ'ল পদ। আনটো কি?

৭। ১৯৩৫ চনৰ 'দ্য গৱৰ্ণমেণ্ট অব ইণ্ডিয়া এক্ট' অনুসৰি গুৱাহাটীত অসম লোকসেৱা আয়োগ গঠন কৰা হৈছিল। এই আয়োগখন কোন চনত গঠন হৈছিল?

৮। 'পায়'লি এক্সপ্ৰেছ' (Payyoli Express) নামেৰে জনাজাত মহিলা এথলীটগৰাকীৰ নাম কি?

৯। ভাৰতৰ কোকিলকণ্ঠী গায়িকা লতা মংগেশকাৰে কোনখন ছবিত নেপথ্য কণ্ঠশিল্পী হিচাপে আত্মপ্ৰকাশ কৰিছিল?

১০। ১৯৫২ চনত 'বীজ' নামৰ উপন্যাসখনেৰে আত্মপ্ৰকাশ কৰা হিন্দী সাহিত্যিক অমৃত ৰায়ে তেওঁৰ পিতৃৰ জীৱনৰ ভেটিত ৰচনা কৰা জীৱনীমূলক উপন্যাস 'কলম কা চিপাহী'ৰ বাবে ১৯৬৩ চনত সাহিত্য অকাডেমি বঁটা লাভ কৰে। অমৃত ৰায়ৰ পিতৃ কোন?

১১। মাৰ্ক টোৱেইন হ'ল লেখক ছেমুৱেল লেংহৰ্ণ ক্লিমেনছৰ ছদ্মনাম। মাৰ্ক টোৱেইনৰ আত্মজীৱনীখনৰ নাম কি?

১২। হোৱাইট হাউছ হ'ল আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ চৰকাৰী বাসস্থান। বিশ্বৰ কোনখন দেশৰ ৰাষ্ট্ৰপতিৰ চৰকাৰী বাসস্থানৰ নাম ব্লু হাউছ?

১৩। বাঘৰ সংখ্যা বৃদ্ধি আৰু সংৰক্ষণৰ বাবে ভাৰতত 'ব্যাঘ্ৰ প্ৰকল্প' হাতত লোৱা হয়। অসমৰ 'ব্যাঘ্ৰ প্ৰকল্প'ৰ অন্তৰ্গত প্ৰথমখন ৰাষ্ট্ৰীয় উদ্যানৰ নাম কি?

১৪। এগৰাকী বিশ্ববিশ্ৰুত চিত্ৰশিল্পীয়ে অংকন কৰা প্ৰথম চিত্ৰখনৰ নাম আছিল দি ব্যাপ্তিজিম অৱ খ্ৰাইষ্ট (The Baptism of Christ)। শিল্পীগৰাকীৰ নাম কি?

১৫। বিজ্ঞানৰ অগণন শাখাৰ অন্যতম হৈছে কাক'লজী (Kakology)। এই শাখাত কিহৰ বিষয়ে অধ্যয়ন কৰা হয়?

১৬। মোহন দাস কৰমচান্দ গান্ধীক 'মহাত্মা' আখ্যা দিছিল কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে। এতিয়া প্ৰশ্নটো হৈছে মহাত্মা গান্ধীয়ে ৰবীন্দ্ৰনাথ ঠাকুৰক কি আখ্যা দিছিল?

১৭। এটা বিশেষ খেলৰ ফিল্ডখনক ক'ৰ্চ (Course) বোলা হয়। খেলবিধ কি?

১৮। পাকিস্তান আৰু ভাৰতৰ আন্তৰ্জাতিক সীমাৰেখাক কি নামেৰে জনা যায়?

১৯। অ'টিটিছ (otitis) হ'লে মানৱ দেহৰ কোনটো অংশৰ উখহি উঠা ৰোগ হোৱাটো বুজায়?

২০। নিলুম্বু নুচিফেৰা (Nelumbo Nucifera) কোনবিধ ফুলৰ বৈজ্ঞানিক নাম? ❖

**■ সংগ্ৰহ : সীমান্ত কলিতা**

# এজন ডাক্তৰৰ মৃত্যু

অভিজিত শৰ্মা বৰুৱা



প্ৰখ্যাত চলচ্চিত্ৰ-নিৰ্মাতা তপন সিনহাই ১৯৯০ চনত নিৰ্মাণ কৰা এখন চলচ্চিত্ৰৰ নাম আছিল—'এক ডাক্তৰ কি মৌত'। এই ছবিখন পশ্চিম বংগৰ সাহিত্যিক ৰমাপদ চৌধুৰীৰ 'অভিমন্যু' নামৰ গল্পটোৰ আধাৰত নিৰ্মিত হৈছিল। সেই গল্পটোৰ আধাৰ আছিল আকৌ ডাঃ সুভাষ মুখোপাধ্যায়, যিজনে প্ৰথম ভাৰতীয় টেষ্টটিউব শিশু (আৰু বিশ্বৰ দ্বিতীয়) 'দুৰ্গা'ৰ জন্ম দিয়াইছিল, কিন্তু জীৱনকালত তাৰ বাবে স্বীকৃতি পোৱাটো দূৰৰ কথা, ৰাজ্য চৰকাৰৰ পৰা অপমান আৰু সামাজিক অৱহেলাৰ বলি হৈ আত্মহত্যা কৰি মৃত্যুক সাৱটি লৈছিল।

## 'টেষ্টটিউব বেবী' কেতিয়াৰ পৰা?

'টেষ্টটিউব বেবী' বা 'পৰীক্ষানল শিশু'ৰ জন্ম বৰ বেছি বছৰৰ আগৰ কথা নহয়। ১৯৭৮ চনতহে বিশ্বত প্ৰথমটি টেষ্টটিউব শিশুৰ জন্ম দিয়া হৈছিল। যি পদ্ধতিৰে এনে টেষ্টটিউব শিশুৰ জন্ম দিয়া হয়, তাক কোৱা হ'ল আই ভি এফ, বা 'ইন ভিট্ৰ' ফাৰ্টিলাইজেছন' (In Vitro Fertilization)। লেটিন ভাষাত 'ইন ভিট্ৰ' শব্দৰ অৰ্থ হ'ল 'কাঁচৰ ভিতৰত'। গতিকে এই 'ইন ভিট্ৰ' ফাৰ্টিলাইজেছনৰ' অৰ্থ হ'বগৈ কাঁচৰ ভিতৰত নিষেচন। এই নাম বোধকৰো এই কাৰণেই দিয়া হ'ল যে ইয়াৰ বাবে যি জৈৱিক কাম-কাজ বা পৰীক্ষা চলোৱা হয়, সেয়া কাঁচৰ বিকাৰ, পৰীক্ষানল বা আন পাত্ৰত কৰা হয়। এই পদ্ধতিৰে জন্ম হোৱা শিশুক 'টেষ্টটিউব শিশু' বুলি জনা গ'লেও এনে সন্তানৰ ভ্ৰূণ য'ত সৃষ্টি কৰা হয়, সেয়া কিন্তু আমি ৰসায়ন বিজ্ঞানৰ পৰীক্ষাত ব্যৱহাৰ কৰা ধৰণৰ টেষ্টটিউব নহয়, সেয়া হ'ল কাঁচৰে এক বহল পাত্ৰ, যাক 'পেট্ৰি ডিছ' নামেৰে জনা যায়।

১৯৭৮ চনৰ ২৫ জুলাইত দুজন প্ৰতিভাবান বিজ্ঞানী তথা চিকিৎসাবিজ্ঞানী ৰবাৰ্ট এডৱাৰ্ডছ আৰু পেট্ৰিক ষ্টেপটোৰ প্ৰচেষ্টাত ইংলেণ্ডৰ কেমব্ৰিজত অৱস্থিত অ'ল্ডহাম জেনেৰেল হাস্পতালত আই ভি এফ পদ্ধতিৰে বিশ্বৰ প্ৰথম শিশু লুইজি জয় ব্ৰাউনৰ জন্ম দিয়া হয়। জন্মৰ সময়ত তাইৰ ওজন আছিল প্ৰায় ২.৬ কিলোগ্ৰাম। কৃত্ৰিম পদ্ধতিৰে জন্ম লাভ কৰা এই কন্যা শিশুৰ পিতৃ-মাতৃ আছিল লেজলি আৰু গিলবাৰ্ট ব্ৰাউন। তেওঁলোকে যদিও জানিছিল যে এয়া এক পৰীক্ষামূলক পদ্ধতি, কিন্তু এইটো জনা নাছিল যে তেতিয়ালৈকে এনে এটাও শিশুৰ জন্ম সফল হোৱা নাই। টেষ্টটিউব শিশু জন্মৰ এই ঘটনাই চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰত যুগান্তৰৰ সূচনা কৰিছিল।

## ডাঃ সুভাষ মুখোপাধ্যায় আৰু 'দুৰ্গা'

ব্ৰাউনৰ জন্মৰ কিছুদিন পাছতে ১৯৭৮ চনৰে ৩ অক্টʼবৰত কলকাতাৰ ডাঃ সুভাষ মুখোপাধ্যায়ৰ তত্ত্বাৱধানত 'দুৰ্গা' (আচল নাম কানুপ্ৰিয়া আগৰৱালা) নামৰ ভাৰতীয় টেষ্টটিউব ছোৱালী এজনীৰ জন্ম হৈছিল। ডাº সুভাষ মুখোপাধ্যায়ে শোণিত মুখাৰ্জী নামৰ এজন ক্ৰায়'বায়লজিষ্ট আৰু ডাº সৰোজকান্তি ভট্টাচাৰ্য্য নামৰ এজন স্ত্ৰীৰোগ বিশেষজ্ঞৰ সৈতে মিলি এই কাম সম্পন্ন কৰিছিল। সেয়া আছিল বিশ্বৰ দ্বিতীয় টেষ্টটিউব শিশু। এই অসম্ভৱপ্ৰায় কাম তেওঁ সম্ভৱ কৰি তুলিছিল তেওঁৰ সৰু এপাৰ্টমেণ্টত কিছুমান সাধাৰণ সঁজুলি আৰু এটা ৰেফ্ৰিজাৰেটৰৰ সহায়ত। এডৱাৰ্ডছ আৰু ষ্টেপটোৰ পদ্ধতিত লেপাৰস্ক'প ব্যৱহাৰ কৰা

হ'লেও ডা° মুখোপাধ্যায়ে কোনো লেপাৰস্ক'পৰ ব্যৱহাৰ কৰা নাছিল আৰু সৰু অপাৰেছন এটা কৰি ডিম্বাণু সংগ্ৰহ কৰিছিল। তেওঁ হৰম'ন ব্যৱহাৰ কৰি ডিম্বাণুৰ সংখ্যা বঢ়াইছিল, শুক্ৰাণুৰ লগত তাৰ নিষেচন ঘটাইছিল আৰু তাৰ পাছত ভ্ৰূণটোক মাতৃগৰ্ভত সংস্থাপন কৰিছিল।

যদিও ডা° মুখোপাধ্যায়ৰ এই সাফল্যই, বিশেষকৈ ভাৰতত আলোড়ন কৰিব লাগিছিল, পাছে সেয়া নহ'ল। এই গুৰুত্বপূৰ্ণ আৰু সন্মানজনক কামৰ বাবে কোনো স্বীকৃতি বা কৃতিত্বৰ পৰিবৰ্তে তেওঁ পালে চৰকাৰী আমোলাৰ পৰা অৱহেলা, সমাজৰ পৰা বহিষ্কাৰকৰণ, ৰাজ্য চৰকাৰৰ পৰা অপমান ইত্যাদি। ১৯৭৮ চনৰ ১৯ অক্ট'বৰত ডা° মুখোপাধ্যায়ে তেওঁৰ গৱেষণা তথা সফলতাৰ সকলো নথি-প্ৰমাণ সন্নিবিষ্ট কৰি পশ্চিমবংগ চৰকাৰৰ স্বাস্থ্য সেৱাৰ সঞ্চালকলৈ এখন পত্ৰ প্ৰেৰণ কৰিছিল। কিন্তু চৰকাৰে সেই কথা মানি নললে, বৰং তেওঁৰ ওপৰত সন্দেহ প্ৰকাশ কৰি তেওঁক দোষী সাব্যস্তহে কৰিব খুজিলে। ১৯৭৮ চনৰ ১৮ নৱেম্বৰত ৰাজ্য চৰকাৰে ডা° সুভাষ মুখোপাধ্যায়ৰ ভৱিষ্যত নিৰ্ণয় কৰিবলৈ মেডিকেল এছোচিয়েছনৰ অধীনত এখন বিশেষজ্ঞ সমিতি গঠন কৰি দিলে।

## অভিযোগ আৰু মৃত্যু

ডাঃ সুভাষ মুখোপাধ্যায়ৰ বিৰুদ্ধে প্ৰথম অভিযোগ আছিল—তেওঁ উপযুক্ত প্ৰমাণ অবিহনেই 'দুৰ্গা' নামেৰে প্ৰথম মানৱ টেষ্টটিউব শিশু জন্ম দিয়াৰ কৃতিত্ব দাবী কৰিছে। দ্বিতীয় অভিযোগ—তেওঁ ৰাজ্য চৰকাৰে কোনো সিদ্ধান্ত দিয়াৰ আগতে সেইসম্পৰ্কীয় ৰিপৰ্ট প্ৰচাৰ মাধ্যমৰ আগত ফাদিল কৰি দিছে। তৃতীয় অভিযোগ—বিশ্বৰ বহুসংখ্যক প্ৰখ্যাত চিকিৎসা-বিজ্ঞানীয়ে অত্যাধুনিক গৱেষণাগাৰত শেহতীয়া সা-সঁজুলিৰ সহায়ত কৰিব নোৱৰা কামটো তেওঁৰ নিজৰ সৰু এপাৰ্টমেণ্টতে কিছুমান সাধাৰণ সঁজুলি আৰু এটা ৰেফ্ৰিজাৰেটৰৰ সহায়ত সম্পন্ন কৰাৰ দাবী কৰিছে। চতুৰ্থ আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ অভিযোগ হ'ল—তেওঁ চৰকাৰী আমোলাসকলৰ কোনো নিৰ্দেশ মনা নাছিল, তেওঁলোকৰ সমুখত মূৰ তল কৰা নাছিল আৰু অতি স্পষ্টবাদী আছিল।

চৰকাৰে যিখন কমিটি গঠন কৰি দিছিল, তাৰ সভাপতি আছিল এজন ৰেডিঅ' পদাৰ্থবিজ্ঞানী আৰু তাৰ সদস্য আছিল এজন স্ত্ৰীৰোগ বিশেষজ্ঞ, এজন মনোবিজ্ঞানী, এজন পদাৰ্থবিজ্ঞানী আৰু এজন স্নায়ুবিজ্ঞানী। তেওঁলোকৰ কাৰো আধুনিক 'ৰিপ্ৰডাক্টিভ' (প্ৰজনন সম্পৰ্কীয়) প্ৰযুক্তি সম্পৰ্কত কোনো জ্ঞান নাছিল। অনুসন্ধানৰ সময়ত ডা° মুখোপাধ্যায়ক সোধা হৈছিল—"আপুনি কেনেকৈ ভ্ৰূণসমূহ ৰাখিছিল?" মুখোপাধ্যায়ৰ উত্তৰ আছিল—ছীল কৰা এম্পুলত (কাঁচ বা প্লাষ্টিকৰ ছীল থকা বিশেষ পাত্ৰ)।" তাৰ পাছৰ প্ৰশ্নটো আছিল—"আপুনি সেইবোৰ কেনেকৈ ছীল কৰিছিল?" মুখোপাধ্যায়ৰ উত্তৰ আছিল—"ক্ষমা কৰিব, মই বুজি পোৱা নাই।" তেওঁ বুজি নোপোৱাৰে কথা। কাৰণ এম্পুল চিনি পোৱা মানুহে সেই প্ৰশ্ন সুধিবই নোৱাৰে। আন এজনে আকৌ সুধিলে, "অঃ! ছীল কৰোতে ভ্ৰূণবোৰ মৰি নগ'ল?" বুজা গৈছিল যে সেইজনে তেওঁৰ সমগ্ৰ জীৱনকালত ভ্ৰূণ দেখাই নাই। অথচ এই মানুহবোৰেই টেষ্টটিউব শিশুৰ প্ৰসংগটো বিচাৰ কৰিছিল। সকলো দিশ 'চালিজাৰি চাই' কমিটিখনে সিদ্ধান্ত দিছিল—"ডা° মুখোপাধ্যায়ে কৰা সকলো দাবী ভুৱা।" আনহাতে সমাজেও কৈছিল যে তেওঁ অনৈতিক কাম কৰিছে। ইমানবোৰ মানসিক চাপ সহ্য কৰিব নোৱাৰি ডা° মুখোপাধ্যায়ে ১৯৮১ চনৰ ১৯ জুনত আত্মহত্যা কৰি তেওঁৰ জীৱন নাটৰ যৱনিকা পেলায়।

## পাছৰ ঘটনাৱলী

ইয়াৰ পাছত ১৯৮৬ চনৰ ১৬ আগষ্টত ভাৰতত আই ভি এফ পদ্ধতিৰে হৰ্ষবৰ্ধন ৰেড্ডী বুৰি নামৰ এক শিশুৰ জন্ম দিয়া হ'ল আৰু চৰকাৰীভাৱে এই শিশুটিকে ভাৰতৰ প্ৰথম টেষ্টটিউব শিশু হিচাপে স্বীকৃতি দিয়া হ'ল। এই শিশুৰ জন্ম দিয়াৰ কৃতিত্ব লাভ কৰিছিল ইণ্ডিয়ান কাউন্সিল অব মেডিকেল ৰিছাৰ্ছৰ ডিৰেক্টৰ টি চি আনন্দ কুমাৰে। কেবা বছৰ পাছত ১৯৯৭ চনত আনন্দ কুমাৰ এক বিজ্ঞান কংগ্ৰেছত ভাগ ল'বৰ বাবে

কলকাতালৈ আহিছিল। তাতে ডা° মুখোপাধ্যায়ৰ সহকৰ্মী কেইজনমানে কুমাৰৰ হাতত মুখোপাধ্যায়ৰ গৱেষণা তথা কৰ্মৰ নথিসমূহ তুলি দিলে। সেইবোৰ চাই আৰু দুৰ্গাৰ পিতৃ-মাতৃৰ লগত আলোচনা কৰি কুমাৰ নিশ্চিত হ'ল যে দুৰ্গাই প্ৰকৃততে ভাৰতৰ প্ৰথম টেষ্টটিউব শিশু। সেই প্ৰখ্যাত বিজ্ঞানীজনে এখন জাৰ্নেলত 'এ ক্ৰিটিক অব মুখাৰ্জীছ টেকনিক' নামৰ এটা প্ৰবন্ধ লিখি তাত ডা° মুখোপাধ্যায়ে নথি-প্ৰমাণ সন্নিবিষ্ট কৰি পশ্চিম বংগ চৰকাৰৰ স্বাস্থ্যসেৱাৰ সঞ্চালকলৈ লিখা পত্ৰখন, টিভি আৰু বাতৰি কাকতত মুখোপাধ্যায়ৰ সাক্ষাৎকাৰ, সেই সময়ত প্ৰচাৰ মাধ্যমত প্ৰকাশিত তথ্যবোৰ সন্নিবিষ্ট কৰিলে। কুমাৰৰ চেষ্টাৰ ফলতে আই চি এম আৰৰ 'আৰ্টিফিচিয়েল ইণ্টাৰক'ৰ্ছ' পাঠ্যক্ৰমৰ পাঠ্যপুথিত ডা° মুখোপাধ্যায়ক ভাৰতৰ প্ৰথম টেষ্টটিউব শিশুৰ নায়ক হিচাপে স্বীকৃতি দিলে। আনন্দ কুমাৰে যি কাম কৰিলে, বহুতো সাধাৰণ-অসাধাৰণ লোকৰ বাবে সেই কাম কৰাটো সম্ভৱ নহয়। তেওঁ নিজৰ মূৰৰ পৰা মুকুটটো নি ডা° সুভাষ মুখোপাধ্যায়ৰ মূৰত পিন্ধাই দিলে।

দুৰ্গাই নিজৰ ২৫ তম জন্মদিনত মুখোপাধ্যায়ৰ স্মৃতিত অনুষ্ঠিত এক অনুষ্ঠানত নিজৰ চিনাকি প্ৰকাশ কৰে আৰু তাৰ লগে লগে মুখোপাধ্যায়ৰ কাম যে ভুৱা নাছিল, সেয়া পুনৰ স্পষ্ট হ'ল। কিন্তু এই সফলতা প্ৰত্যক্ষ কৰিবলৈ ডা° সুভাষ মুখোপাধ্যায় তেতিয়া এই পৃথিৱীত নাছিল। ❖



# সিন্ধু জল সন্ধি

■ প্ৰীতিলতা পাটগিৰি

সিন্ধু জল সন্ধি হৈছে ভাৰত আৰু পাকিস্তানৰ মাজত ঘাইকৈ সিন্ধু নদীৰ পানী বিতৰণৰ বাবে হোৱা এক সন্ধি। এইখন সন্ধি স্বাক্ষৰিত কৰিবলৈ বিশ্ববেংকে ভাৰত আৰু পাকিস্তানৰ মাজত মধ্যস্থতাকাৰী হিচাপে কাম কৰিছিল। ১৯৬০ চনৰ ১৯ ছেপ্টেম্বৰত তেতিয়াৰ ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু আৰু পাকিস্তানৰ ৰাষ্ট্ৰপতি আয়ুব খানে কৰাচীত এই সন্ধিত স্বাক্ষৰ কৰিছিল। ২০২০ চনত সিন্ধু জল সন্ধিয়ে ৬০ বছৰ সম্পূৰ্ণ কৰিলে। এই চুক্তিখনক লৈ ভাৰতবৰ্ষ আৰু পাকিস্তানৰ মাজত বিভিন্ন সময়ত মতভেদ হৈ আহিছে। শেহতীয়াকৈ ২০১৪ চনত নৰেন্দ্ৰ মোডী ভাৰতৰ প্ৰধানমন্ত্ৰী হোৱাৰ পিছত এই চুক্তিখন পুনৰ চৰ্চালৈ আহে। ২০১৬ চনৰ ১৮ ছেপ্টেম্বৰৰ উৰিৰ ঘটনাৰ পিছত কিছুসংখ্যক লোকে সিন্ধু নদীৰ পানী পাকিস্তানলৈ বৈ যোৱাত বাধা প্ৰদান কৰিব লাগে বুলিও মত পোষণ কৰে। ২০১৯ চনত এই সন্ধিখনৰ কথা পুনৰ চৰ্চালৈ আহে। ২০১৯ চনৰ ১৪ ফেব্ৰুৱাৰীৰ পুলৱামা আক্ৰমণৰ পিছত ভাৰতৰ কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে ঘোষণা কৰে যে সিন্ধু নদীৰ যি পানীভাগ পাকিস্তানলৈ বৈ যায় তাত বাধা প্ৰদান কৰা হ'ব। এই পানীভাগ কাশ্মীৰ আৰু পাঞ্জাবলৈ বোৱাই নিয়া হ'ব। চৰকাৰে ইতিমধ্যে ইয়াৰ বাবে যাৱতীয় কূটনৈতিক ব্যৱস্থা আৰু পৰিকল্পনাৰ কাম আৰম্ভ কৰিছে।

## সিন্ধু জল সন্ধিৰ আঁৰৰ কাহিনী

তথ্য অনুসৰি ১৯৪৭ চনত ভাৰত আৰু পাকিস্তান বিভাজন হোৱাৰ আগৰেপৰাই পঞ্জাৱ আৰু সিন্ধু অঞ্চলৰ মানুহৰ মাজত নদীৰ পানীক লৈ মতানৈক্যৰ সৃষ্টি হৈছিল। ১৯৪৭ চনত ভাৰত আৰু পাকিস্তান বিভাজন হোৱাৰ পিছত দুই দেশৰ কিছুসংখ্যক অভিযন্তাই লগ হৈ ভাৰতৰ মাজেদি পাকিস্তানৰ ফালে বৈ যোৱা দুখন মুখ্য নদীৰ সন্দৰ্ভত এখন চুক্তি স্বাক্ষৰ কৰিছিল। এই চুক্তি অনুসৰি পাকিস্তানে সম্পূৰ্ণৰূপে নদী দুখনৰ পানী ১৯৪৮ চনৰ



৩১ মাৰ্চলৈকে পাই থাকিল। কিন্তু চুক্তিৰ ম্যাদ উকলি যোৱাৰ পাছত ভাৰতে নদী দুখনৰ পানী পাকিস্তানৰ ফালে বৈ যোৱা বন্ধ কৰি দিলে। ফলত পাক অধ্যুষিত পঞ্জাৱৰ প্ৰায় ১৭ লাখ বিঘা মাটি যথেষ্ট ক্ষতিগ্ৰস্ত হ'ল। পৰৱৰ্তী সময়ত আলোচনা মৰ্মে ভাৰতে পানী মুকলি কৰি দিয়া বুলি জনা যায়। এক সূত্ৰমতে ১৯৫১ চনত ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে আমেৰিকাৰ প্ৰযুক্তিবিদ তথা কূটনীতিবিদ ডেভিদ লিলিয়েন্‌থালক ভাৰতলৈ আমন্ত্ৰণ জনাইছিল। লিলিয়েন্‌থালে ভাৰত ভ্ৰমণ সামৰি পাকিস্তানলৈ যায় আৰু তাৰপৰাই আমেৰিকালৈ উৰা মাৰে। আমেৰিকালৈ গৈ তেওঁ সিন্ধু নদীৰ পানী ভাগ-বটোৱাৰা কৰাক লৈ বাতৰিকাকতত এটা প্ৰবন্ধ লিখিছিল। এই প্ৰবন্ধটো বিশ্ব বেংকৰ মুখ্য বিষয়া তথা লিলিয়েন্‌থালৰ বন্ধু ডেভিড ব্লেকে পঢ়ে। প্ৰবন্ধটো পঢ়ি ডেভিডে ভাৰত আৰু পাকিস্তানৰ ৰাষ্ট্ৰপ্ৰধানৰ লগত আলোচনাত মিলিত হয়। এই আলোচনা পিছলৈ প্ৰায় দহ বছৰ ধৰি চলিছিল। অৱশেষত ১৯৬০ চনৰ ১৯ ছেপ্টেম্বৰত কৰাচীত দুয়োখন দেশৰ মাজত সিন্ধু জল সন্ধি স্বাক্ষৰিত হয়।

সিন্ধু জল সন্ধি অনুসৰি তিনিখন পূব দিশৰ নদী ব্যাস, ৰাৱি আৰু চটলুজৰ পানীৰ নিয়ন্ত্ৰণ ভাৰতবৰ্ষই কৰিব। আনহাতে পশ্চিম দিশৰ নদী সিন্ধু, চিনাব আৰু জেলম নদীৰ পানীৰ নিয়ন্ত্ৰণ পাকিস্তানে কৰিব।

এই সন্ধিখনৰ বিষয়ে জনাৰ লগতে আমি এই ছয়খন নদীৰ বিষয়েও কিছু তথ্য জানিব লাগিব। সিন্ধু নদী হৈছে এছিয়াৰ দীৰ্ঘতম নদীবিলাকৰ ভিতৰত অন্যতম। এইখন নদী চীন (পশ্চিম তিব্বত), ভাৰত (জম্মু আৰু কাশ্মীৰ) আৰু পাকিস্তানৰ মাজেৰে বৈ গৈ আৰব সাগৰত মিলি গৈছে। ইয়াৰ উৎপত্তিস্থল তিব্বতৰ মানস সৰোবৰৰ ওচৰৰ 'চিন-কা-বাব' নামৰ এক জলধাৰা বুলি জনা যায়। ইয়াৰ দৈৰ্ঘ্য প্ৰায় ২৮৮০ কিল'মিটাৰ। সিন্ধু নদীৰ বেছিভাগ অংশ পাকিস্তানৰ মাজেৰে বৈ গৈছে। সিন্ধু নদী হৈছে পাকিস্তানৰ আটাইতকৈ দীঘল নদী আৰু ইয়াক দেশখনৰ ৰাষ্ট্ৰীয় নদী বুলি কোৱা হয়। সিন্ধু নদীৰ বহুকেইখন উপনদী আছে। সেইকেইখন হ'ল জাংস্কৰ, সুৰু, সুন, জেলম, চিনাব, ৰাবি, ব্যাস, চটলুজ, পানজনাদ, শ্যোক, হুন্‌জা, গিলগিত, স্বাত কুনাৰ, কাবুল, কুৰ্ম, গোমল আৰু ঝোব।

## সিন্ধু জল সন্ধি

সিন্ধু জল সন্ধি অনুসৰি

- চুক্তিৰ অন্তৰ্গত হোৱা সিন্ধু নদীৰ উপ নদীকেইখনক পূব দিশৰ নদী আৰু পশ্চিম দিশৰ নদী এই দুই ভাগত ভাগ কৰা হয়।
- পূবৰ নদীকেইখনৰ পানী ভাৰতে কোনো ধৰণৰ বাধা নোহোৱাকৈ ব্যৱহাৰ কৰিব পাৰিব। আনহাতে পশ্চিমৰ নদীকেইখনৰ পানী পাকিস্তানে সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিব পাৰিব। চুক্তি অনুসৰি ভাৰতে এই নদীকেইখনৰ পানী বিদ্যুৎ উৎপাদন বা কৃষিকাৰ্যত ইচ্ছা কৰিলে ব্যৱহাৰ কৰিব পাৰিব।
- এখন স্থায়ী সিন্ধু আয়োগ স্থাপনৰ ব্যৱস্থা কৰা হ'ব। এই আয়োগৰ মতে দুই দেশৰ কমিছনাৰে এটা সময়ৰ ব্যৱধানত মিলিত হ'ব আৰু সন্ধি সম্বন্ধে কিবা বিবাদ বা মতানৈক্য থাকিলে তাৰ আলোচনা কৰিব।
- ভাৰত বা পাকিস্তানে যদি এই নদীকেইখনৰ ওপৰত কিবা প্ৰকল্পৰ কাম কৰিব বিচাৰে আৰু সেই প্ৰকল্পৰ নক্সাৰ ওপৰত কোনোখন দেশৰ কিবা সন্দেহ বা আপত্তি থাকে তেতিয়া দুই দেশৰ চৰকাৰে আলোচনাৰ মাধ্যমেৰে সমস্যাৰ সমাধান কৰিব লাগিব। ❖

## মানসিক সামৰ্থ্য বিকাশ

■ ৰবীন্দ্ৰ বৰ্মন

1. তলৰ অনুক্ৰমটোৰ অশুদ্ধ পদটো বাছি উলিওৱা :

   3, 10, 19, 30, 42, 58, 75

   a) 10 b) 42 c) 19 d) 58

2. তলৰ অনুক্ৰমটোৰ অশুদ্ধ পদটো বাছি উলিওৱা :

   2, 3, 5, 8, 12, 18, 23

   a) 12 b) 8 c) 18 d) 23

3. '?' চিনৰ ঠাইত কি বহিব?

   ABCD, BCDA, CDAB, ? , ABCD

   a) BADC b) ACBD c) DACB d) DABC

4. '?' চিনৰ ঠাইত কি বহিব?


   P3C, R5F, T8I, V12L, ?

   a) X160 b) Y170 c) X170 d) X17M

5. ইংৰাজী অভিধানৰ ক্ৰমত সজালে তলৰ কোনটো তৃতীয় স্থানত থাকিব?


   a) Monarchy b) Monastic c) Monetary d) Moneyed

6. '?' চিনৰ ঠাইত কি বহিব?




   a) 12 b) 10 c) 9 d) 8

7. '?' চিনৰ ঠাইত কি বহিব?




   a) 13 b) 15 c) 17 d) 19

**উত্তৰসমূহ :**

1. b 2. c 3. d 4. c 5. c 6. a 7. b

# বজ্রপাতৰ দেশ—ভূটান


■ কল্যাণী পাটগিৰি

সূৰ্য্য উঠা দেশ বুলিলে আমি জাপান দেশক জানো, মাজ নিশা সূৰ্য্য দেখা দেশ বুলিলে আমি নৰৱেক বুজোঁ, হাজাৰ হ্ৰদৰ দেশ বুলিলে আমি ফিনলেণ্ডক বুজোঁ। বজ্রপাতৰ দেশ বুলিলে আমাৰ কোনখন দেশৰ কথা মনলৈ আহে বাৰু? ভাৰতবৰ্ষৰ উত্তৰ দিশত থকা আৰু প্ৰাকৃতিক সৌন্দৰ্য্যৰে অতিকৈ মনোমোহা ভূটান দেশখনকে বজ্রপাতৰ দেশ বুলি জনা যায়। যুদ্ধ-বিগ্ৰহ, হাই-কাজিয়া, দুৰ্নীতি আৰু অৰাজকতাৰে জৰ্জৰিত আজিৰ পৃথিৱীখনত ভূটানক আটাইতকৈ শান্তিপ্ৰিয় মানুহৰ দেশ বুলিও জনা যায়।

ভূটান নামটো আচলতে সংস্কৃত শব্দ ভোট-অন্ত (Bhot-ant) মানে তিব্বতৰ শেষ (End of Tibet) বা ভূ-উত্থানৰ (Bhu-uthan) অৰ্থাৎ উচ্চভূমিৰ পৰা অহা বুলি ধাৰণা কৰা হয়। ভূটান দেশৰ প্ৰধান ভাষা জংখা (Dzongkha)। জংখা ভাষাত ভূটানৰ নাম হ'ল দ্ৰুক-য়ুল। (Druk Yul) যাৰ অৰ্থ হ'ল বজ্ৰ ড্ৰেগনৰ দেশ (Land of Druk)।

কিন্তু ভূটানক কিয় বজ্রপাতৰ দেশ বুলি কোৱা হয়। হিমালয়ৰ পাদদেশত অৱস্থিত আৰু চাৰিওফালে পাহাৰ-পৰ্বতেৰে আগুৰি থকা ভূটান এখন পাহাৰীয়া দেশ। বাৰিষাৰ দিনত ইয়াত প্ৰচুৰ পৰিমাণে বৰষুণ হয়। বৰ্ষা ঋতুৰ সময়তে ভূটানক হিমালয়ৰ দিশৰ পৰা বিজুলী-ঢেৰেকণিৰে অহা বতাহ-বৰষুণে বাৰুকৈয়ে কোবাই যায়। বিজুলী-ঢেৰেকণিৰ উজ্জ্বল পোহৰক ভূটানৰ মানুহে বজ্ৰ ড্ৰেগনৰ মুখৰ পৰা ওলোৱা জুই বুলি বিশ্বাস কৰে। প্ৰতি বছৰে ইয়াত হোৱা অতিমাত্ৰা বিজুলী-ঢেৰেকণি আৰু বজ্রপাতৰ বাবেই ভূটানক বজ্রপাতৰ দেশ বুলি কোৱা হয়।

দ্ৰুক (Druk) বা বজ্ৰ ড্ৰেগনক ভূটানত বৰ পৱিত্ৰ জ্ঞান কৰা হয়। দ্ৰুকৰ চিহ্ন ভূটান দেশৰ পতাকাত আছে আৰু সকলো জাতীয় অলংকাৰ আৰু পোছাকত এই চিহ্ন বিৰাজমান। আনকি ভূটানৰ আকাশীযান সংস্থা



ভূটান এয়াৰ লাইনছ আৰু দ্ৰুক এয়াৰৰ বিমানবোৰতো বজ্ৰ ড্ৰেগনৰ চিহ্ন দেখিবলৈ পোৱা যায়। এই চিহ্নটো প্ৰথমে তিব্বতৰ দ্ৰুকপা জনগোষ্ঠীয়ে ব্যৱহাৰ কৰিছিল। জনবিশ্বাস মতে ধৰ্মগুৰু চাংপা গ্যাৰে (Tsangpa Gyare) তিব্বতত থকা ৰালুং মনেষ্ট্ৰিটো সাজি থকা সময়ত ভয়ানক বিজুলী-ঢেৰিকণি আহিছিল আৰু তেওঁলোকে ইয়াক ড্ৰেগনৰ গোজৰণি বুলি ভাবিছিল। ড্ৰেগনক সন্তুষ্ট কৰিবলৈ মনেষ্ট্ৰিৰ নামটো দ্ৰুক ৰালুং মনেষ্ট্ৰিলৈ সলনি কৰিছিল। এই দ্ৰুক ৰালুং মনেষ্ট্ৰিৰ শিষ্যসকলক দ্ৰুকপা বুলি জনা যায়। কালক্ৰমত ভূটানত দ্ৰুকপা জাতিৰ উত্থানৰ লগতে দ্ৰুকৰ চিহ্নটোও সকলোৰে পৰিচিত হৈ পৰিল। সেয়েহে ভূটানক বজ্ৰ ড্ৰেগনৰ দেশ (Land of Thunder Dragon) বুলিও কোৱা হয়।

মাটিকালিৰ ফালৰ পৰা চাবলৈ গ'লে ভূটান ৩৮,৩৯৪ বৰ্গ কিল'মিটাৰেৰে আগুৰা এখন সৰু ৰাষ্ট্ৰ। ইয়াৰ চাৰিসীমাত ভাৰত, চীন, নেপাল আৰু তিব্বত আছে। ভূটানৰ মুঠ জনসংখ্যা ৭.৫২ লাখ আৰু ইয়াৰ ৰাজধানী হ'ল থিম্ফু। ভূটানৰ কেইটামান উল্লেখযোগ্য পৰ্য্যটনৰ স্থানৰ ভিতৰত পাৰোঁ, থিম্ফু, পুনাখা, টাইগাৰ্চ নেষ্ট মনেষ্ট্ৰি, ডচুলা পাছ আদি উল্লেখযোগ্য। ভূটানৰ মুদ্ৰাৰ নাম হ'ল নংট্ৰাম আৰু ১ নং ট্ৰামৰ মূল্য বৰ্তমান ভাৰতৰ ১ টকাৰ সমান। ❖

# দশকটোৰ ডায়েৰি, ২০১০-২০১৯

■ ডিম্পল তালুকদাৰ

- ২০১০ চনত আফগানিস্তান, ইৰাক আৰু ছোমালিয়া আছিল আটাইতকৈ বেছি শৰণাৰ্থী থকা দেশ। এই অঞ্চলসমূহত দীৰ্ঘদিনীয়া সামৰিক বিবাদ, সংঘৰ্ষ আৰু সংঘাতৰ ফলতেই বহু সংখ্যক শৰণাৰ্থীৰ সৃষ্টি হৈছিল। বৰ্তমান পৃথিৱীত ৭০ নিযুততকৈ অধিক এনে লোক আছে। বিভিন্ন যুদ্ধ-বিগ্ৰহ, ৰাজনৈতিক তথা অৰ্থনৈতিক সংঘাত আদিৰ ফলত এইসকল লোকে নিজৰ দেশ এৰি যাবলৈ বাধ্য হয়। ৰাষ্ট্ৰসংঘৰ এক সমীক্ষা মতে শতকৰা ৫৭ ভাগ শৰণাৰ্থী আহে ছিৰিয়া, আফগানিস্তান আৰু দক্ষিণ ছুডানৰ পৰা। **২০১০ চনত এই শৰণাৰ্থী সংকটে গোটেই বিশ্বতে এক সামাজিক আৰু ৰাজনৈতিক সমস্যাৰ সৃষ্টি কৰিছিল।**
- ২০১০ চনত ভাৰতৰ **ৰাষ্ট্ৰীয় সেউজ প্ৰাধিকৰণখন (NGT)** প্ৰতিষ্ঠা কৰা হয়।
- ২০১০ চনৰ ছেপ্টেম্বৰ মাহত পোনপ্ৰথমবাৰৰ বাবে **ভাৰতত আধাৰ কাৰ্ডৰ সূচনা কৰা হয়।** ভাৰতবৰ্ষৰ একক চিনাক্তকৰণ প্ৰাধিকৰণৰ দ্বাৰা চিহ্নিত আধাৰ হ'ল ১২টা সংখ্যাৰ এটা নম্বৰ। আধাৰ কাৰ্ড গোটেই ভাৰতবৰ্ষতে এক অন্যতম পৰিচয় পত্ৰ হিচাপে চিহ্নিত হৈছে।
- আৰবৰ সৈতে উত্তৰ ছুডানৰ হোৱা দীৰ্ঘদিনীয়া অসামৰিক যুদ্ধৰ অন্তত ২০১১ চনৰ ৯ জুলাইত **দক্ষিণ ছুডানে স্বাধীনতা লাভ কৰে।** তেওঁলোকে স্বাধীনতা লাভ কৰিছে যদিও আৰবৰ উত্তৰ ছুডানৰ লগত এতিয়াও বিবাদ আৰু সংঘাত শেষ হোৱা নাই।
- ২০১১ চনত ভাৰতীয় ক্ৰিকেট দলে অধিনায়ক মহেন্দ্ৰ সিং ধোনীৰ নেতৃত্বত **শ্ৰীলংকাক পৰাস্ত কৰি বিশ্বকাপ জয় কৰে।**
- ১৯৮৮ চনত গোটেই বিশ্বতে ত্ৰাসৰ সৃষ্টি কৰা সন্ত্ৰাসবাদী সংগঠন আল-কায়দাৰ জন্ম হৈছিল। এই সংগঠনৰ মুৰব্বী প্ৰধান আছিল ওচামা-বিন লাডেন। ২০১১ চনৰ ২ মে' তাৰিখে তদানীন্তন আমেৰিকাৰ ৰাষ্ট্ৰপতি বাৰাক ওবামাৰ নিৰ্দেশনা মৰ্মে আমেৰিকাৰ বিশেষ সামৰিক বাহিনীয়ে **ওচামা-বিন-লাডেনক পাকিস্তানৰ এব'টাবাদত গুলীয়াই নিহত কৰে।** তাৰ পিছতেই এই সন্ত্ৰাসবাদী সংগঠনটোৰ বিপৰ্য্যয় ঘটে আৰু পতন হয়। এইটোও এটা দশকটোৰ এটা উল্লেখযোগ্য ঘটনা।
- ২০১১ চনত সক্ৰিয় ৰাজহুৱা কৰ্মী আন্না হাজাৰেৰ নেতৃত্বত গোটেই ৰাষ্ট্ৰজুৰি অন্যায় আৰু দুৰ্নীতিৰ বিৰুদ্ধে আৰম্ভ হৈছিল **লোকপাল আন্দোলন**। ইয়াৰ পিছতেই সংসদে লোকপাল বিধেয়কখন প্ৰৱৰ্তন কৰে।
- ২০১২ চনৰ ১৯ এপ্ৰিলত ভাৰতবৰ্ষই ৫,০০০ কিমি. পৰিসৰৰ **অগ্নি-৫ ক্ষেপণাস্ত্ৰ তথা মিছাইলৰ সফলভাৱে পৰীক্ষণ কৰে।** ইয়াৰ লগতে ২০১৮ চনৰ ২৩ ফেব্ৰুৱাৰীত ৩৫০ কিমি. পৰিসৰৰ **ধনুশ মিছাইলৰো** সফল পৰীক্ষণ কৰা হয়।
- ২০১৪ চনৰ ডিছেম্বৰ মাহত ১৩ বছৰীয়া যুদ্ধৰ অৱসান ঘটাই **নাটোৱে (NATO) আফগানিস্তানত চলোৱা সামৰিক অভিযানৰ আনুষ্ঠানিকভাৱে সামৰণি মাৰে।**

- ২০১৫ চনত ইৰাণ আৰু পৃথিবীৰ আন ৬ খন শক্তিশালী দেশ আমেৰিকা, ইংলেণ্ড, ৰাছিয়া, ফ্ৰান্স, চীন আৰু জাৰ্মানীৰ মাজত এখন **পৰমাণুকেন্দ্ৰিক আন্তৰ্জাতিক চুক্তি স্বাক্ষৰিত হয়। ইয়াৰ জৰিয়তে পাৰমাণৱিক শক্তিৰ পৰীক্ষণৰ ক্ষেত্ৰত কিছু বাধ্যবাধকতা আৰোপ কৰা হয়।**
- ২০১৫ চনৰ ২৩ জুনত অনুষ্ঠিত হোৱা সন্মিলনত **গ্ৰেট ব্ৰিটেইনে (ইংলেণ্ড) ইউৰোপীয়ান ইউনিয়নৰ (European Union) পৰা অনুসূচীগতভাৱে নিজক প্ৰত্যাহাৰ কৰে।** এই ঘটনাক ব্ৰেক্সিট (Brexit) বোলা হৈছিল। তেতিয়াৰ ইংলণ্ডৰ প্ৰধানমন্ত্ৰী ডেভিড কেমেৰুণ ব্ৰেক্সিটৰ সমৰ্থক নাছিল। এয়া আছিল গণভোটৰ জৰিয়তে ব্ৰিটেইনবাসীয়ে ইউৰোপীয়ান ইউনিয়নৰ পৰা ওলাই আহিবলৈ দিয়া ৰায়।
- ২০১৬ চনৰ ৮ নৱেম্বৰ তাৰিখে ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে মাজনিশা ভাৰতবৰ্ষৰ ইতিহাসত সৰ্ববৃহৎ **বিমুদ্ৰাকৰণৰ** কথা ঘোষণা কৰিছিল। ইয়াৰ জৰিয়তে সেই সময়ত প্ৰচলিত ৫০০ আৰু ১০০০ টকীয়া নোটসমূহৰ প্ৰচলন বন্ধ কৰা হৈছিল।
- ২০১৬ চনৰ ছেপ্টেম্বৰ মাহত **ভাৰত আৰু ফ্ৰান্সৰ মাজত ৰাফেল চুক্তি স্বাক্ষৰিত হয়।** এই চুক্তিত ভাৰতবৰ্ষই আনুমানিক ৫৯,০০০ হাজাৰ কোটি টকা মূল্যৰ বিনিময়ত ৩৬ খন ৰাফেল বিমান ফ্ৰান্সৰ পৰা ক্ৰয় কৰাৰ কথা উল্লেখ আছে।
- ২০১৬ চনৰ ২৪ আগষ্ট তাৰিখে জ্যোতিৰ্বিজ্ঞানীসকলে **'প্ৰক্সিমা বি' (Proxima B) নামৰ আন এটা পৃথিৱীসদৃশ গ্ৰহ**ৰ আৱিষ্কাৰ কৰে।
- ২০১৭ চনৰ ১ জুলাইৰ পৰা গোটেই ভাৰতবৰ্ষতেই **'বস্তু আৰু সেৱা কৰ' (GST) কাৰ্য্যকৰী কৰা হয়।** জিএছটি হৈছে গোটেই দেশজুৰি বস্তু আৰু সেৱাৰ যোগানৰ ওপৰত আৰোপিত এক পৰোক্ষ কৰ।
- যোৱাটো দশকত ভাৰতবৰ্ষৰ আন এটি উল্লেখনীয় ঘটনা আছিল **ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী** (অসমৰ বাবে) প্ৰকাশ আৰু **নাগৰিকত্ব সংশোধনী আইন প্ৰণয়ন**। ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ অন্তিমখন সূচী প্ৰকাশ পায় ২০১৯ চনৰ ৩১ আগষ্টত আৰু ২০১৯ চনৰ ২ ডিছেম্বৰ তাৰিখে নাগৰিকত্ব সংশোধনী আইনখন সংসদত গৃহীত হয়।
- ভাৰতীয় মূলৰ আমেৰিকান অৰ্থনীতিবিদ **অভিজিৎ বেনাৰ্জীয়ে ২০১৯ চনত অৰ্থনীতিৰ ন'বেল বঁটা লাভ কৰে।**
- ২০১৯ চনৰ ৯ নৱেম্বৰ তাৰিখে দশকজোৰা পুৰণি **অযোধ্যা ভূমি বিবাদৰ অৱসান** ঘটে।
- **২০১৯ চনৰ জুন মাহত হংকং প্ৰতিবাদৰ আৰম্ভ হৈছিল।** বিশ্বজুৰি খলকনি সৃষ্টি কৰা এই প্ৰতিবাদ হৈছিল এখন বিল (আইন)ৰ বিৰুদ্ধে। এই আইনখনে অপৰাধী বা অপৰাধী বুলি সন্দেহযুক্ত লোকক হংকঙৰ পৰা চীন দেশৰ প্ৰধান ভূ-ভাগলৈ প্ৰত্যৰ্পণ কৰাৰ অনুমতি প্ৰদান কৰিছিল। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ (ডিছেম্বৰ)

১। ১৭০ কিল'গ্ৰাম।
২। মাইক্ৰন।
৩। ট্ৰপ'স্ফিয়েৰ।
৪। ছাংপো।
৫। ছিছম'গ্ৰাফ।

# মোগলৰ বিৰুদ্ধাচৰণ কৰা দাসজন

■ জিতা গগৈ

মোগলসকল আছিল ভাৰতবৰ্ষৰ এটা অন্যতম শক্তিশালী ৰাজ বংশ। মোগলৰ চতুৰ্থ সম্ৰাট জাহাংগীৰে উত্তৰ ভাৰতত আধিপত্য বিস্তাৰ কৰাৰ পাছত দক্ষিণ ভাৰতত মোগল ৰাজ্য বিস্তাৰ কৰিবলৈ আৰম্ভ কৰে। কিন্তু সেই সময়ত দাক্ষিণাত্যত মালিক অম্বৰ নামৰ এজন লোকে কৌশলেৰে জাহাংগীৰৰ দৰে শক্তিশালী সম্ৰাটৰ আক্ৰমণ প্ৰতিহত কৰি মোগলক দাক্ষিণাত্যৰপৰা খেদি পঠিয়াবলৈ সক্ষম হৈছিল।

১৫-১৬ শতিকাত এবেছিনিয়া (বৰ্তমানৰ ইথিওপিয়া) আৰু ভাৰতবৰ্ষৰ বিভিন্ন সম্ৰাটৰ মাজত দাস যোগান ধৰাৰ ব্যৱস্থা আছিল। মালিক অম্বৰো প্ৰকৃততে এবেছিনিয়াৰ আছিল। তেওঁৰ জন্ম হৈছিল এবেছিনিয়াত ১৫৪৮ চনত। মালিক অম্বৰকো সৰুকালতে বন্দী কৰি দেশৰ বাহিৰলৈ পঠিয়াই দিয়া হৈছিল। মালিক অম্বৰে বিভিন্ন সময়ত বিভিন্ন দেশত দাস হিচাপে কাম কৰে। তেনেকৈ তেওঁ আহমদনগৰৰ সম্ৰাটৰ ওচৰ চাপে। আহমদনগৰৰ সম্ৰাটে হাজাৰ হাজাৰ মানুহ দাস হিচাপে ক্ৰয় কৰি আনিছিল। তেওঁলোকক হাবচিচ (Habshis) বা চিদিচ (Sidis) বুলি কোৱা হৈছিল। এই মানুহবোৰক অনাৰ মূল উদ্দেশ্য আছিল তেওঁলোকক প্ৰশিক্ষণ দি সামৰিক বাহিনী গঠন কৰা। এই চিদিচসকলক সম্ৰাটবোৰে সম্পূৰ্ণ বিশ্বাস কৰিছিল আৰু বিভিন্ন গুৰুত্বপূৰ্ণ পদবীত নিযুক্ত কৰিছিল। যেনে—অংগৰক্ষক, ৰাজ্যপাল ইত্যাদি। এই দাস অনা প্ৰথাৰ জৰিয়তে মালিক অম্বৰ আহি আহমদনগৰত উপস্থিত হয়। কিন্তু কম সময়ৰ ভিতৰতে আহমদনগৰৰ সম্ৰাটৰ মৃত্যু হয় আৰু অম্বৰ দাসত্বৰ পৰা মুক্ত হৈ পৰে। অম্বৰে মুক্ত হৈয়ে চুবুৰীয়া ৰাজ্য বিজাপুৰলৈ গমন কৰে আৰু তাত তেওঁ সেনানায়ক পদ লাভ কৰে। মালিক অম্বৰে অতি কম দিনৰ ভিতৰতে নিজৰ সৈন্যবাহিনী গঠন কৰি পুনৰ আহমদনগৰলৈ আহে। তেওঁ আহমদনগৰলৈ ঘূৰি অহাৰ সময়ত মোগল সম্ৰাট আকবৰৰ সৈন্যই আহমদনগৰলৈ মোগল ৰাজ্য বিস্তাৰ কৰিবলৈ চেষ্টা কৰি আছিল।

মালিক অম্বৰে মোগল সৈন্যক সঘনাই আক্ৰমণ কৰিবলৈ আৰম্ভ কৰে। ইয়াৰ ফলত মোগল সৈন্যৰ প্ৰচুৰ ক্ষতি হয়। আকবৰে এই আক্ৰমণ নেওচি আহমদনগৰৰ দুৰ্গ দখল কৰিবলৈ সক্ষম হয় যদিও ১৬০০ শতিকাত পুনৰ আগ্ৰালৈ উভতি যায়। ইয়াৰ কাৰণ আছিল আকবৰৰ পুত্ৰ জাহাংগীৰে দেউতাকৰ বিৰুদ্ধে কৰা বিদ্ৰোহ। এইবোৰ পৰিস্থিতিয়ে আহমদনগৰৰ ৰাজনীতিত বিশৃংখলতাৰ সৃষ্টি কৰে। আকবৰ আগ্ৰালৈ উভতি যোৱাৰ সুযোগ লৈ মালিক অম্বৰে আহমদনগৰৰ পেছৱা অৰ্থাৎ প্ৰধানমন্ত্ৰীৰ আসন দখল কৰে।

পৰৱৰ্তী সময়ত জাহাংগীৰ সম্ৰাট হৈ আহমদনগৰৰ লগতে দাক্ষিণাত্যত আধিপত্য বিস্তাৰ কৰিবৰ বাবে চেষ্টা কৰে আৰু ইজনৰ পাছত সিজন সেনাপতিক আক্ৰমণ কৰিবলৈ পঠিয়ায়। কিন্তু ইয়াৰে এজনেও মালিক অম্বৰক হৰুৱাই ৰাজ্য দখল কৰিবলৈ সক্ষম নহ'ল। মালিক অম্বৰক মোগল সেনাই হৰুৱাব নোৱৰাৰ মুখ্য কাৰণ হ'ল অম্বৰৰ গৰিলা যুদ্ধৰ কৌশলত থকা নিপুণতা। তেওঁ পোনপটীয়াকৈ যুদ্ধ ক্ষেত্ৰত লিপ্ত হোৱা নাছিল। তাৰ সলনি ৰাতিৰ অন্ধকাৰত শত্ৰুপক্ষই গম নোপোৱাকৈ হঠাৎ আক্ৰমণ কৰিছিল। ১৬০৯ চনত অম্বৰে চুবুৰীয়া ৰাজ্যৰ চুলতান আদিল শ্বাহৰ লগত মিত্ৰতা কৰি মোগলক দাক্ষিণাত্যৰ পৰা একেবাৰে খেদি পঠিয়াবলৈ সক্ষম হয়। এনেদৰে এজন সাধাৰণ দাসৰপৰা নিজৰ চেষ্টা আৰু বুদ্ধিমত্তাৰে মালিক অম্বৰে দাক্ষিণাত্যৰ শাসক হিচাপে প্ৰতিষ্ঠিত হৈ মোগলৰ দৰে শক্তিশালী সৈন্যক হৰুৱাবলৈ সক্ষম হৈছিল। ❖

# চুডʼকু

তলৰ আকৃতি দুটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰপৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুডʼকু ১৫৫

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | 1 | | | 5 | 2 | 6 | | 8 |
| | | 4 | | | 3 | 7 | 9 | |
| | | | 9 | 6 | | | 2 | 4 |
| 2 | | 8 | | | | | 1 | 7 |
| | 9 | | | | | | 5 | |
| 5 | 7 | | | | | 3 | | 2 |
| 3 | 8 | | | 1 | 4 | | | |
| | 4 | 2 | 6 | | | 5 | | |
| 1 | | 9 | 7 | 2 | | | 6 | |

## চুডʼকু ১৫৬

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 9 | | | 6 | | | | | |
| | 2 | 8 | 4 | | 3 | 9 | | |
| | 3 | 6 | 8 | | 1 | 7 | | |
| 7 | 9 | | 1 | | | | | 2 |
| 4 | | 3 | | | | 8 | | 9 |
| 8 | | | | | 7 | | 1 | 5 |
| | | 1 | 3 | | 9 | 5 | 4 | |
| | | 7 | 5 | | 2 | 6 | 9 | |
| | | | | | 8 | | | 1 |

## চুডʼকু ১৫৩

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 4 | 6 | 8 | 2 | 3 | 7 | 9 | 5 | 1 |
| 3 | 7 | 1 | 5 | 9 | 4 | 8 | 6 | 2 |
| 5 | 2 | 9 | 6 | 8 | 1 | 7 | 3 | 4 |
| 8 | 1 | 2 | 3 | 4 | 9 | 6 | 7 | 5 |
| 7 | 9 | 3 | 1 | 6 | 5 | 2 | 4 | 8 |
| 6 | 5 | 4 | 8 | 7 | 2 | 3 | 1 | 9 |
| 2 | 4 | 6 | 7 | 1 | 8 | 5 | 9 | 3 |
| 1 | 3 | 5 | 9 | 2 | 6 | 4 | 8 | 7 |
| 9 | 8 | 7 | 4 | 5 | 3 | 1 | 2 | 6 |

## চুডʼকু ১৫৪

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 9 | 2 | 1 | 3 | 4 | 8 | 5 | 7 | 6 |
| 5 | 6 | 4 | 9 | 2 | 7 | 8 | 1 | 3 |
| 3 | 8 | 7 | 6 | 1 | 5 | 9 | 4 | 2 |
| 7 | 9 | 3 | 8 | 5 | 1 | 6 | 2 | 4 |
| 6 | 4 | 2 | 7 | 9 | 3 | 1 | 8 | 5 |
| 8 | 1 | 5 | 4 | 6 | 2 | 7 | 3 | 9 |
| 2 | 5 | 9 | 1 | 8 | 4 | 3 | 6 | 7 |
| 1 | 7 | 6 | 2 | 3 | 9 | 4 | 5 | 8 |
| 4 | 3 | 8 | 5 | 7 | 6 | 2 | 9 | 1 |

# ইষ্ট ইণ্ডিয়া কোম্পানী আৰু এগৰাকী ভাৰতীয় উদ্যোগী

■ অপৰ্ণা দেৱী



ইংলেণ্ডৰ বণিকসকলে দক্ষিণ-পূব এছিয়া বিশেষকৈ ভাৰতবৰ্ষৰ লগত বেহা-বেপাৰ কৰিবলৈ এটা বেচৰকাৰী কোম্পানী প্ৰতিষ্ঠা কৰিছিল। সেই কোম্পানীটোৱে প্ৰাচ্যৰ দেশবোৰৰ লগত পোন্ধৰ বছৰৰ বাবে একচেটিয়া বেপাৰ-বাণিজ্য কৰাৰ বাবে ৰাণী প্ৰথম এলিজাবেথৰ পৰা ৰাজকীয় অনুমতি পত্ৰ লাভ কৰিছিল। প্ৰায় ৪২০ বছৰ গৰকা সেই ঐতিহাসিক কোম্পানীটোৱেই আছিল ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানী।

ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানীৰ একমাত্ৰ উদ্দেশ্য আছিল ভাৰতত বেহা-বেপাৰ কৰি নানা উপায়ে নিমখ, ধঁপাত, তামোল, মছলা আদিৰ দৰে সামগ্ৰীৰ একচেটিয়া ব্যৱসায় আৰম্ভ কৰা। সেইদৰে ইংৰাজসকলে ভাৰতৰ বজাৰৰ এটা বৃহৎ অংশ দখল কৰিবলৈ সমৰ্থও হৈছিল। বেহা-বেপাৰৰ উদ্দেশ্যে ভাৰতলৈ অহা ইষ্ট ইণ্ডিয়া কোম্পানীটোৱে বেহা-বেপাৰৰ পৰিসৰ বঢ়াবলৈ ক্ৰমান্বয়ে স্থানীয় ৰাজনীতিত হস্তক্ষেপ কৰি পিছলৈ স্থানীয় শাসনো নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। ইংৰাজৰ 'বিভাজন আৰু শাসন' নীতি আৰু ভাৰতীয় দেশীয় ৰাজ্যবোৰৰ বিভিন্ন দুৰ্বলতাৰ বাবে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতৰ ৰাজনীতিত সোমোৱাৰ সুবিধা লাভ কৰিছিল।

১৬০০ চনত স্থাপিত হোৱা ইষ্ট ইণ্ডিয়া কোম্পানীয়ে একালত ভাৰতত ব্যাৱসায়িক, ৰাজনৈতিক দিশত প্ৰভুত্ব খটুৱাবলৈ সক্ষম হৈছিল, সেই ইষ্ট ইণ্ডিয়া কোম্পানীৰ বৰ্তমানৰ স্বত্বাধিকাৰী হৈছে এগৰাকী ভাৰতীয় উদ্যোগপতি। তেওঁৰ নাম হৈছে সঞ্জীৱ মেহতা।


২০০৩ চনত ইষ্ট ইণ্ডিয়া কোম্পানীৰ একাংশ অংশীদাৰে (share holders); চাহ আৰু কফিৰ ব্যৱসায়েৰে ইষ্ট ইণ্ডিয়া কোম্পানীক পুনৰ উজ্জীৱিত কৰিবলৈ চেষ্টা কৰে। ভাৰতীয় উদ্যোগী সঞ্জীৱ মেহতাই ২০০৫ চনত ইষ্ট ইণ্ডিয়া কোম্পানীটোৰ মালিকী স্বত্ব লাভ কৰি ইয়াৰ জৰিয়তে চাহ, কফি আদি সামগ্ৰীৰ বিপণন আৰম্ভ কৰে। মেহতাই ২০১০ চনত লণ্ডনত ইয়াৰ প্ৰথমখন বিপণীৰ শুভাৰম্ভ কৰে। পৰৱৰ্তী সময়ত মেহতাই ব্যৱসায় প্ৰসাৰ কৰাৰ অনুমতিও লাভ কৰে। ২৫০ বছৰ ধৰি ভাৰতত আধিপত্য বিস্তাৰ কৰা ইষ্ট ইণ্ডিয়া কোম্পানীক সঞ্জীৱ মেহতাই নিজৰ আওতালৈ আনিবলৈ সক্ষম হ'ল। এগৰাকী ভাৰতীয়ৰ চেষ্টা আৰু উদ্যোগত পুনৰবাৰৰ বাবে সংস্থাপিত হ'ল ইষ্ট ইণ্ডিয়া কোম্পানী। ২০১৭ চনৰ ৬ মে' তাৰিখে সঞ্জীৱ মেহতাই ঐতিহাসিক কোম্পানীটোৰ নাম, ট্ৰেড মাৰ্ক আদি ব্যৱহাৰ কৰাৰ স্বত্ব লাভ কৰে।

বি বি চিৰ সৈতে হোৱা এক সাক্ষাৎকাৰত মেহতাই আৱেগিকভাৱে মনৰ ভাব প্ৰকাশ কৰা অৱস্থাত উল্লেখ কৰে যে সমগ্ৰ বিষয়টোৱে এক আৱেগিক যোগসূত্ৰ হিচাপে বিবেচনাধীন, ই একমাত্ৰ ব্যাৱসায়িক লেনদেনতে অকল সীমাবদ্ধ হৈ থকা নাই। এসময়ৰ আগ্ৰাসী, কেৱল মুনাফা লাভৰ উদ্দেশ্যে স্থাপিত ইষ্ট ইণ্ডিয়া কোম্পানী এতিয়া সমভাৱাপন্ন, সহানুভূতিশীল ইষ্ট ইণ্ডিয়া কোম্পানী। সঞ্জীৱ মেহতাই ইষ্ট ইণ্ডিয়া কোম্পানীৰ ঐতিহ্য জানিবৰ বাবে, ইতিহাস জানিবৰ বাবে তেওঁৰ অন্যান্য ব্যৱসায়ৰ পৰা এবছৰৰ বিৰতি লৈ পৃথিৱীৰ বিভিন্ন ঠাইত ভ্ৰমণ কৰিছিল। বৰ্তমান মেহতাৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ শিপা পৃথিৱীৰ বিভিন্ন দেশলৈ প্ৰসাৰিত হৈছে। ❖

# As You Like It

■ Dr. Pritam Priya Goswami

*Continued from 7th year, 5th Issue, December, 2020*



Orlando and Adam accepted Duke Senior's offer and joined his troupe. After a tiring day, they slept soundly that night.

A little far from Duke Senior's troupe was Rasalind and Celia's cottage. They often took walks in the forest. One day, while taking the walk, they found the name Rosalind carved on the trunks of some trees. The surprised girls also found poems written under the names, praising the beauty of Rasalind. They wondered who this admirer might be. Rosalind secretly wished him to be Orlando.

On another day, while they were taking a walk in the forest, they saw Orlando coming towards them with a companion. They hid themselves and tried to hear Orlando and his friend's conversation. The girls heard Orlando being teased by his friend for writing poems for his lady-love Rosalind. Upon hearing this, Rosalind became very happy.

They came out of their hiding place and approached Orlando. Orlando, however, could not recognise them. He thought Ganymede was a country lad. Ganymede started to tease Orlando about his poem. He told Orlando that if he came to meet him everyday, he would soon be cured of that love. He further asked Orlando to assume that he was his Rosalind.

They began to meet everyday. Orlando jokingly addressed Ganymede as Rosalind and enjoyed it. Ganymede too became happy to meet him everyday. Ganymede (Rosalind) became so happy that she forgot to look for her father. But, they accidently met one day. The Duke did not recognise her, and took her to be a country lad. But he noticed that the country-lad Ganymede looked much like his daughter Rosalind. When he asked Ganymede who his father was, he replied, "My father is someone like you." The duke laughed, unaware that it was true. ❖


■ Jyotirekha Kalita

## When does the horned lizard eject blood from its eyes ?



Lizards are reptiles. They belong to a group of 3,800 scaly skinned reptiles. Lizards have four legs and long tails. The back legs are stronger than the front ones. The back legs help them to move forward. The horned lizard sprays blood from its eyes for self-defence. The jet of blood from its eyes can reach about 1 meter to keep its enemy at a distance. Whenever the lizard finds itself in a dangerous situation, blood pressure increases in its head. This activates the tiny blood vessels in its eyes and consequently blood is ejected. When the blood reaches the enemy, it diverts its attention and it becomes unable to attack the lizard. The horned lizard has a razor like hard spines or horns. It has a flattened oval body and pointed fringe with scales on the sides of the body. These lizards are normally found in sandy areas.

## How did plant appear on land ?



The first life forms found on earth were plants. About 2 billion years ago, simple plants existed under the sea. There was no sign of life on land at that time. It was only 425 million years ago, when a few tiny plants were seen on land. Those plants were probably developed from sea weeds. They looked like the mosses, liverworts and hornworts of today. Somewhat complex plants than these appeared about 400 million years ago which looked like modern day ferns. They were the first plants to possess roots, stems and leaves. During this time, the first dinosaurs walked on earth, large forests of ginkos and cycads had extended across the land. These were the first trees that grew from seeds, Pines and other conifers appeared about 300 million years ago. These trees had their seeds on their cones. About 150 million years ago, flowering plants emerged on earth. They had an advantage over other plants because their seeds were properly shielded which reduced the chances of seed damage to a great extent. ❖

# সোণামতী আইদেউৰ কথা

■ অসীম কৃষ্ণ বৰুৱা

অসমত আহোম ৰাজবংশৰ ছশ বছৰীয়া ৰাজত্বৰ এছোৱা সময়ক 'সংকট কাল' বুলি জনা যায়। সেয়া আছিল ১৬৭৩ খ্রিষ্টাব্দৰ পৰা ১৬৮১ খ্রিষ্টাব্দৰ কথা। স্বৰ্গদেউ ৰাজধ্বজ সিংহৰ ৰাজত্ব কালৰে পৰা আৰম্ভ হোৱা এইছোৱা সময়ত আতংকময় পৰিৱেশ বিৰাজ কৰিছিল। একাদিক্ৰমে ছয়জন আহোম ৰজাই গুপ্তঘাতকৰ হাতত প্ৰাণ হেৰুৱাইছিল। অতি সঘনে মন্ত্ৰী-বিষয়া ভঙা-পতা হৈছিল। ৰাজক্ষমতা লাভ কৰাৰ লালসাত কোনে কেতিয়া কাক ৰজা পাতে—ভাঙে, কাৰ হাতত কেতিয়া কাৰ প্ৰাণ যায়, তাৰ কোনো নিশ্চয়তা নাছিল। ডেবেৰা বৰবৰুৱা, লালুকসোলা বৰফুকন আদি ডাঙৰীয়াসকলে ক্ষমতা আৰু পদমৰ্য্যাদাৰ অপপ্ৰয়োগ কৰি আহোম ৰাজ্যক ষড়যন্ত্ৰৰ লীলাভূমিত পৰিণত কৰিছিল। নাবালক ৰজা চুলিক্‌ফাৰ (ল'ৰাৰজা) নামমাত্ৰ শাসন, লালুকসোলা বৰফুকনৰ চূড়ান্ত মইমতালি, আহোম ৰাজকোঁৱৰসকলক অংগক্ষত কৰি লালুকসোলাই নিজৰ ক্ষমতা সুৰক্ষিত কৰা, তাৰ মাজতে তুংখুঙীয়া ফৈদৰ কোঁৱৰ গদাপাণিয়ে নিজকে সুৰক্ষিত কৰি ৰাখিবলৈ পলায়ন কৰা, গদাপাণিৰ বাতৰি নিদিয়াৰ বাবে তেওঁৰ পত্নী জয়মতীক ৰজাঘৰীয়া চাওদাঙে দিয়া নিৰ্মম শাস্তি, জয়মতীৰ মৃত্যু আদি কথাবোৰ ইতিহাসৰ পাতে পাতে আৰু আমাৰো মুখে মুখে।

এইবোৰ ৰজাঘৰীয়া কথা। কিন্তু ৰজাঘৰীয়াৰ অনুচিত কাম-কাজৰ পৰিণাম প্ৰজাই ভুগিব লাগে। যিখিনি সময়ত জেৰেঙা পথাৰত লালুকসোলাৰ নিৰ্দেশত চাওদাঙে জয়মতীক নিষ্ঠুৰ শাস্তি দিছিল, সেইখিনি সময়তেই আহোম ৰাজ্যৰ ৰাজধানী গড়গাঁৱৰ পৰা কিছু নিলগত 'সোণামতী' নামৰ এগৰাকী জীয়ৰীক লালুকসোলাৰ চাওদাঙে একেই নিষ্ঠুৰ শাস্তি বিহিছিল। কোন এই সোণামতী, কিয় তেওঁক দিয়া হৈছিল নিষ্ঠুৰ শাস্তি?

শিৱসাগৰৰ লানবকতা অঞ্চলৰ এখন গাঁৱত সোণামতীহঁতৰ ঘৰ। মাক-দেউতাক, ককায়েক-ভায়েকৰ আদৰ-সাদৰৰ মাজত সোণামতীয়ে বৰ সুখেৰেই জীৱন কটাইছিল। খেতি-খোলা, তাঁত বোৱা, ঘৰৰ বাহিৰ-ভিতৰৰ সকলো কামেই জানিছিল সোণামতীয়ে। ৰাজ্যৰ ৰাজধানী গড়গাঁৱত কি ঘটিছিল, সোণামতীয়ে সেইবোৰৰ বৰ এটা ভূ-ভা পোৱা নাছিল। লালুকসোলা বৰফুকনৰ অন্যায়-অত্যাচাৰৰ কথা গাঁৱৰ মানুহৰ মুখত তায়ো অৱশ্যে শুনিছিল। সমনীয়া ছোৱালীৰ সৈতে হাঁহি-ধেমালিৰে সোণামতীৰ দিনবোৰ পাৰ হৈছিল।

ইতিমধ্যে ৰজাঘৰীয়া চাওদাঙৰ চকুত ধূলি দি তুংখুঙীয়া কোঁৱৰ গদাপাণিয়ে ৰাজধানী এৰি অৰঙে-দৰঙে ঘূৰি ফুৰিছিল।

ছদ্মবেশ ধৰি গদাপাণি গৈ সোণামতীহঁতৰ গাঁও ওলালগৈ। ভোকে-পিয়াহে ভাগৰুৱা হৈ সন্ধিয়াপৰত সোণামতীহঁতৰ ঘৰত সোমাল। আলহীক সাক্ষাৎ দামোদৰ বুলি ভবা অসমীয়া মানুহৰ স্বভাৱ। গদাপাণিক সোণামতী আৰু মাকে আদৰ-সাদৰ কৰি জা-জলপান খুৱালে। এনেকৈ গদাপাণিয়ে ৰাতিটো সোণামতীহঁতৰ ঘৰতে আশ্ৰয় ল'লে। অচিনাকি মানুহক আশ্ৰয় দিয়া কথাটো সোণামতীৰ দেউতাকে বৰ এটা ভাল পোৱা নাছিল।

সোণামতী দেখিবলৈ শুৱনি হোৱাৰ লগতে বুদ্ধিমতীও আছিল। তাই কথাৰ ছলেৰে বুজি পাইছিল যে এই আলহীজন এজন বিশেষ মানুহ। গদাপাণিৰ কথা-বতৰা, চাল-চলনত ৰজাঘৰীয়া মানুহৰ চিন পাইছিল তাই। পিছদিনা ঢলপুৱাতে গদাপাণিয়ে

সোণামতীহঁতৰ ঘৰ এৰিছিল। তাৰ কিছু সময় পিছতেই ৰজাঘৰীয়া সৈন্যই সোণামতীহঁতৰ ঘৰ ঘেৰি ধৰিছিল। তাৰ পিছত সোণামতীহঁতৰ ঘৰখনলৈ চূড়ান্ত দুৰ্য্যোগ নামি আহিছিল। সাহসী সোণামতীয়ে ৰজাঘৰীয়া সৈন্যৰ সৈতে যুক্তি-তৰ্ক কৰিছিল। সেয়াই তাইৰ বাবে কাল হ'ল। সৈন্যবোৰে সোণামতীক ধৰি-বান্ধি লৈ গ'ল গদাপাণিৰ বিষয়ে কথা উলিয়াবলৈ। সোণামতীয়ে গদাপাণি যে সিহঁতৰ ঘৰলৈ আহিছিল সেই কথা নক'লে। সৈন্যবোৰে তাইক মাৰ-ধৰো কৰিলে। এনেকৈ গাঁৰৰ বাটেৰে, হাবিতলীয়া মথাউৰিৰে, পথাৰৰ মাজেৰে সিহঁতে সোণামতীক অত্যাচাৰ কৰি লৈ ফুৰিলে। সিহঁতৰ অত্যাচাৰত সোণামতী মৃতপ্ৰায় হৈ পথাৰৰ মাজতে পৰি ৰ'ল। এসময়ত তাই শেষ নিশ্বাস ত্যাগ কৰিলে। গাঁৱৰ মানুহে হিয়া ঢাকুৰি কান্দিলে। সোণামতীৰ ঘৰখন নিমাত-নিতাল হ'ল।

ৰজাঘৰীয়া জয়মতী কুঁৱৰীয়ে জেৰেঙা পথাৰত চাওদাঙৰ অত্যাচাৰত প্ৰাণত্যাগ কৰাৰ প্ৰায় সমান্তৰালভাৱে ভিতৰুৱা গাঁৱৰ পথাৰৰ মাজত সোণামতীৰো মৃত্যু হ'ল। কথাটো ৰাজধানীত কোনেও গমেই নাপালে। নোপোৱাৰে কথা, সোণামতী খেতিয়কৰ ছোৱালী, সাধাৰণ প্ৰজা। সময় সলনি হ'ল। তাৰ কিছুদিনৰ পিছতে ডা-ডাঙৰীয়াসকলৰ সহযোগত গদাপাণিয়ে লালুকসোলাক পৰাস্ত কৰি আহোম ৰাজ্যৰ ক্ষমতা দখল কৰিলে। গদাপাণিয়ে নাম ল'লে গদাধৰ সিংহ। জয়মতী কুঁৱৰীয়ে নিজৰ স্বামীক ৰক্ষা কৰিবলৈ প্ৰাণ দিলে। ইতিহাসে তেওঁক 'সতী জয়মতী' বুলি উচিতভাৱেই স্বীকৃতি দিলে। তাৰ বিপৰীতে সোণামতীৰ প্ৰতি যেন ইতিহাসে প্ৰকৃত সন্মান যাঁচিবলৈ পাহৰি গ'ল। প্ৰজাঘৰৰ এজনী ছোৱালীয়ে দেশৰ বাবে, ৰাজ সিংহাসনৰ বাবে আত্মবলিদান দিলে। এনেকৈয়ে সাধাৰণ মানুহে আত্মবলিদান দি আহিছে। সোণামতীৰ গাঁৱৰ মানুহে কিন্তু উচিত কামটো কৰিলে। সোণামতীয়ে প্ৰাণত্যাগ কৰা ঠাইত এটা মৈদাম সাজি নাম দিলে 'সোণামতী টোপ'। গাঁওখনৰ নাম আছিল— পুনিবিল গোহাঁই গাঁও। নতুন নাম হ'ল সোণামতী গাঁও। সোণামতীৰ বিষয়ে এটা লোকগীতত এনেকৈয়ে পোৱা যায়—

দিহিঙৰ কাষতে মাটিৰ দেহ এৰিলি
বঙহে নাপালে শেষ
মাৰে কান্দিলে বাপেৰে কান্দিলে
এইখন দুখৰে দেশ।
জয়মনৰ পুতেক ভলুকাই কান্দিলে
দিহিঙৰ পাৰতে বৈ
নাই সোণামতী নাই... ❖

## কুইজৰ উত্তৰসমূহ

১) ভেলেণ্টিনা টেৰেস্কোভা। ২) লোকমান্য বাল গংগাধৰ তিলক। ৩) বিনন্দ চন্দ্ৰ বৰুৱা। ৪) ডিব্ৰুগড়। ৫) ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত। ৬) ধ্ৰুং বা ধ্ৰুৱ বা ধ্ৰুম। ৭) ১৯৩৭ চনৰ ১ এপ্ৰিল। ৮) পি.টি. ঊষা। ৯) আপ কি সেৱা মে (১৯৪৭)। ১০) মুন্সি প্ৰেমচান্দ (ধনপত ৰায় শ্ৰীবাস্তৱ)। ১১) লাইফ অন দা মিছিছিপি (Life on the Mississippi)। ১২) দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতিৰ। ১৩) মানস ৰাষ্ট্ৰীয় উদ্যান। ১৪) লিঅ'নাৰ্ড' ডা-ভিঞ্চি। ১৫) মানৱ সৌন্দৰ্য্য সম্পৰ্কে। ১৬) গুৰুদেৱ। ১৭) গলফ্। ১৮) ৰেডক্লিফ লাইন। ১৯) কাণ। ২০) পদুম ফুল। ❖

## তোমালোকৰ বাবে প্ৰশ্ন

১। হেলিঅ'থেৰাপী কি?

২। 'বুদ্ধ' শব্দৰ অৰ্থ কি?


৩। ছেলছিয়াছ কি?

৪। 'Book of the books' বুলি কোনখন কিতাপক কোৱা হয়?

৫। দবা খেলৰ পুৰণি নাম কি? ❖



দ্রুক বালুং মনেস্ট্রি



টাইগার্স নেস্ট



চকুৰে তেজ নিৰ্গত কৰা জেঠী



জিংকো গছ